
# ই-কোৰ্টছ সেৱাসমূহৰ মোবাইল এপ




GET IT ON Google Play
Download on the App Store

ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ
ই-সমিতিৰ দ্বাৰা প্ৰচাৰিত

# ই-কোৰ্টছ সেৱাসমূহৰ

# মোবাইল এপ




## ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ ই-সমিতিৰ দ্বাৰা প্ৰচাৰিত

ই-কোৰ্টছ সেৱাসমূহৰ মোবাইল এপ

ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ ই-সমিতিৰ দ্বাৰা প্ৰচাৰিত

সম্পাদকঃ মিছ আৰ. অৰুলমঝিছেলভি, এম.এল.

সদস্য, (মানৱ সম্পদ)

ই-সমিতি, ভাৰতৰ উচ্চতম ন্যায়ালয়

অসমীয়া ভাষালৈ অনুবাদিত

অনুবাদকঃ অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়

প্ৰথম প্ৰকাশঃ ফেব্ৰুৱাৰী, ২০২১

**<u>স্পষ্টীকৰণ</u>**

ই-সমিতিৰ দ্বাৰা প্ৰচাৰিত এই প্ৰাসংগিক বিষয়বস্তু কেৱল অধ্যয়ন আৰু প্ৰশিক্ষণৰ উদ্দ্যেশেহে। প্ৰসংগসমূহ নিৰ্দেশসমূচক আৰু এইবোৰ কোনো চৰকাৰী বা ন্যায়িক প্ৰসংগত ব্যৱহাৰ নহ'বও পাৰে।

DR JUSTICE D Y CHANDRACHUD
Judge, Supreme Court of India

## Foreword

The e-Committee of the Supreme Court has been at the forefront of introducing digital reforms in the field of law. In the past one year, the pandemic has also pushed advocates, judges and litigants to adopt high tech solutions due to the closure of offices and courts in light of lockdowns and public health concerns. Working remotely, virtual courts, digital workplaces and electronic case management have become integral to how the legal profession is practiced and conducted. This has given us a rare opportunity to embrace technology not just as an interim measure but to transform our legal system to make it more efficient, inclusive, accessible and environmentally sustainable. The e-Courts Services Mobile Application is a step in this direction.

The e-Courts Services Mobile Application is a one stop electronic case management tool (ECMT) for advocates and litigants for cases filed in the District Courts and High Courts. It provides complete case history from filing till disposal including date wise case diary. It allows users to access orders/judgments, cause list, transfer details of the case and interim application status. A unique feature of the application is that an advocate can maintain a digital diary of all cases under "My Cases" tab.

All these facilities are available free of cost. The usage of the application will not only reduce the footfall at the court complexes but will also save time and effort for judges, court staff and other stakeholders. It will also ensure that geographical

constraints do not hinder access to relevant case information. We have also attempted to make the application accessible to persons with disabilities.

The ECMT tools have been discussed in detail in the manual with screenshots. Keeping in mind the linguistic and cultural diversity of India, the manual has been translated in 11 regional languages.

The improvement in technological capacities must be accompanied by a change in culture and mindset. I am happy to note that many advocates and litigants have already embraced the services offered through this mobile application with more than 57 lakh downloads so far. The application will pave the way for optimizing our legal system in an ever-evolving digital world.

**[Dr Justice D Y Chandrachud]**

बरुण मित्रा, भा.प्र.से.
**BARUN MITRA, IAS**

सत्यमेव जयते

150 YEARS OF CELEBRATING THE MAHATMA

सचिव
न्याय विभाग
विधि और न्याय मंत्रालय
भारत सरकार
**SECRETARY**
**DEPARTMENT OF JUSTICE**
**MINISTRY OF LAW & JUSTICE**
**GOVERNMENT OF INDIA**

## FOREWORD

As the legal world is gradually turning digital globally, the process of ICT enablement of the judicial landscape in India has concurrently made significant strides. As an integral part of this multi-dimensional initiative, the eCourts Services Mobile App has been widely hailed as an effective Electronic Case Management Tool (ECMT). Its popularity is manifested in the growing number of downloads by lawyers, having already crossed the 57 lakh figure.

Robust Case Management and sound supporting systems are at the core of any well-functioning legal architecture. ECMT tool, enables a lawyer to efficiently manage case information, document assembly, calendaring, time-tracking of case status, accessing judicial decisions, compliance requirements etc. To cap it, ECMT is of immense convenience being available 24 x 7 with no geographical boundaries and easy access on no-cost basis. The eCourts Services Mobile App with its digital diary features has thus evolved into a must-have tool for lawyers to promotetheir professional efficiency.

Publication of this Manual on eCourts Services Mobile App is yet another laudable step by the eCommittee of the Supreme Court to create large scale awareness of this ECMT and in bringing its benefits to the doorstep of the lawyers' community. The manual is also available in Hindi and several other regional languages like Punjabi, Tamil, Gujarati, Odia and Nepali thus enhancing its outreach. I am confident that this Manual will be of great utility for the legal fraternity.

**25th February, 2021**
**New Delhi**

**(Barun Mitra)**

# সূচীপত্ৰ/ বিষয়সূচী


| | | |
|---|---|---|
| ১. | “ই-কোৰ্টছ সেৱা” মোবাইল এপ কেনেকৈ ইনষ্টল কৰিব | ২ |
| | ১.১. ই-কোৰ্টছ ৱেবছাইট https://e-courts.gov.inৰ পৰা ডাউনলোড | ২ |
| | ১.২. এণ্ড্ৰইড ব্যৱহাৰকাৰীসকলৰ বাবে গুগল প্লে-ষ্টোৰৰ পৰা ডাউনলোড | ৩ |
| | ১.৩. আই-ফোন/ আই-পেডৰ বাবে পোনপটীয়াকৈ এপল ষ্টোৰৰ পৰা ডাউনলোড | ৩ |
| ২. | ই-কোৰ্টছ এপটো কনফিগাৰ (সজ্জিত) কৰক | ৪ |
| ৩. | ছয়টা ভাৰতীয় ভাষাত ই-কোৰ্টছ মোবাইল এপ | ৪ |
| ৪. | ই-কোৰ্টছ সেৱাসমূহৰ মোবাইল এপৰ বিষয়ে জানিবলগীয়া প্ৰাথমিক আইকনসমূহ | ৫ |
| | ৪.১. আদৰণি পৃষ্ঠা | ৫ |
| | ৪.২. মেনু তালিকাৰ আইকনসমূহ | ৬ |
| | ৪.৩. জিলা আদালত/ উচ্চ ন্যায়ালয়ৰ গোচৰৰ সবিশেষ | ৬ |
| | ৪.৪. মুখ্য তালিকাৰ বিকল্পসমূহ | ৬ |
| | ৪.৫. চি.এন.আৰ. অনুসন্ধান | ৬ |
| | ৪.৬. গোচৰৰ স্থিতিৰ অনুসন্ধান | ৭ |
| | ৪.৭. গোচৰসূচী শিতান | ৭ |
| | ৪.৮. মোৰ গোচৰসমূহ | ৭ |
| | ৪.৯. তাৰিখ অনুযায়ী/ জিলা অনুযায়ী মোৰ গোচৰসমূহ | ৮ |
| | ৪.১০. কেলেণ্ডাৰ বিকল্প | ৮ |
| | ৪.১১. ৰিফ্ৰেছ বুটাম | ৮ |
| | ৪.১২. মোৰ গোচৰ শিতানৰ অধীনৰ অনুসন্ধান বিকল্প | ৮ |
| | ৪.১৩. কিউ.আৰ.কোড | ৯ |
| | ৪.১৪. কিউ.আৰ.কোড স্কেন | ৯ |
| | ৪.১৫. আই.এ. সবিশেষ | ৯ |
| | ৪.১৬. স্থানান্তৰকৰণ সবিশেষ | ৯ |
| | ৪.১৭. নিম্ন আদালতৰ তথ্য | ১০ |
| | ৪.১৮. গোচৰৰ ইতিবৃত্ত | ১০ |
| ৫. | ‘ই-কোৰ্টছ সেৱা’ মোবাইল এপৰ যোগেদি সম্পূৰ্ণ গোচৰৰ ইতিবৃত্ত লাভ কৰক | ১১ |
| ৬. | গোচৰসমূহৰ বিকল্প অনুসন্ধান | ১২ |
| ৭. | চি.এন.আৰ. নম্বৰ ব্যৱহাৰ কৰি গোচৰৰ অনুসন্ধান | ১২ |
| | ৭.১. চি.এন.আৰ. নম্বৰ কি? | ১২ |
| | ৭.২. আপোনাৰ চি.এন.আৰ. নম্বৰ কেনেকৈ জানিব | ১৩ |
| | ৭.৩. ‘ই-কোৰ্টছ’ মোবাইল এপৰ পৰা চি.এন.আৰ. নম্বৰ কেনেকৈ লাভ কৰিব | ১৩ |
| | ৭.৪. চি.এন.আৰ. নম্বৰ ব্যৱহাৰ কৰি কেনেকৈ গোচৰসমূহ অনুসন্ধান কৰিব | ১৪ |
| ৮. | বিভিন্ন বিকল্প ব্যৱহাৰ কৰি গোচৰ স্থিতিৰ অনুসন্ধান | ১৬ |
| | ৮.১. গোচৰ নম্বৰ বিকল্প ব্যৱহাৰ কৰি গোচৰৰ স্থিতি দৰ্শন | ১৭ |

| | | |
|---|---|---|
| | ৮.২. দাখিল নম্বৰ বিকল্প ব্যৱহাৰ কৰি গোচৰৰ স্থিতি দৰ্শন | ১৯ |
| | ৮.৩. এজাহাৰ নম্বৰ ব্যৱহাৰ কৰি অনুসন্ধান | ১৯ |
| | ৮.৪. অধিবক্তা বিকল্প ব্যৱহাৰ কৰি গোচৰৰ স্থিতি দৰ্শন | ২০ |
| | ৮.৪.১. অধিবক্তাৰ নামৰ দ্বাৰা অনুসন্ধান | ২০ |
| | ৮.৪.২. বাৰকোড ব্যৱহাৰ কৰি অনুসন্ধান | ২১ |
| | ৮.৪.৩. গোচৰৰ তালিকাৰ তাৰিখ ব্যৱহাৰ কৰি অনুসন্ধান (অধিবক্তা গোচৰ সূচী) | ২২ |
| | ৮.৫. গোচৰৰ প্ৰকাৰ বিকল্প ব্যৱহাৰ কৰি গোচৰৰ স্থিতি দৰ্শন | ২৪ |
| | ৮.৬. পক্ষ বিকল্প ব্যৱহাৰ কৰি গোচৰৰ স্থিতি দৰ্শন | ২৫ |
| | ৮.৭. আইনৰ যোগেদি অনুসন্ধান | ২৫ |
| | ৮.৮. কেভিয়েট | ২৬ |
| | ৮.৯. পূৰ্ব বিচাৰ আবেদন | ২৭ |
| ৯. | ‘ই-কোৰ্টছ’ মোবাইল এপৰ যোগেদি গোচৰসূচীৰ প্ৰাপ্তি | ২৭ |
| ১০. | মোৰ গোচৰসমূহৰ বিকল্প | ২৮ |
| | ১০.১. ‘মোৰ গোচৰ’ শিতানত কেনেকৈ গোচৰসমূহ সংযোজন কৰিব | ২৯ |
| | ১০.২. ‘মোৰ গোচৰ’ শিতানৰ পৰা কেনেকৈ গোচৰসমূহ আঁতৰ কৰিব | ৩০ |
| | ১০.৩.‘মোৰ গোচৰ’ৰ মাজত/ অভ্যন্তৰত অনুসন্ধান | ৩০ |
| | ১০.৪. ৰিফ্ৰেছ বুটাম | ৩১ |
| | ১০.৫. মোৰ গোচৰ- তাৰিখ অনুযায়ী/ জিলা অনুযায়ী প্ৰদৰ্শন বিকল্প | ৩১ |
| | ১০.৬. কেলেণ্ডাৰ | ৩২ |
| ১১. | বেক-আপৰ সুবিধা | ৩২ |
| | ১১.১. এক্সপোৰ্ট বিকল্প | ৩৪ |
| | ১১.২. ইমপোৰ্ট বিকল্প | ৩৫ |
| ১২. | কিউ.আৰ.কোড ব্যৱহাৰ কৰি গোচৰ স্থিতিৰ প্ৰাপ্তি | ৩৭ |
| | ১২.১. প্ৰথম পদক্ষেপঃ আপোনাৰ গোচৰৰ কিউ.আৰ.কোড লাভ কৰক | ৩৭ |
| | ১২.২. দ্বিতীয় পদক্ষেপঃ কিউ.আৰ.কোড ছপা কৰি লওক আৰু কেছ ডকেটত ইয়াক আঠা লগাওক | ৩৭ |
| | ১২.৩. তৃতীয় পদক্ষেপঃ কিউ.আৰ.কোড স্কেন কৰক | ৩৮ |
| ১৩. | ইন্টাৰনেট উপলব্ধ নোহোৱা ঠাইত এছ.এম.এছ.ৰ যোগেদি গোচৰ স্থিতি লাভ কৰক | ৩৮ |
| ১৪. | ‘ই-কোৰ্টছ’ স্বয়ংচালিত ই-মেইল সেৱাৰ যোগেদি গোচৰ স্থিতিৰ প্ৰাপ্তি | ৩৯ |
| ১৫. | আদালত চৌহদ নিৰ্দ্ধাৰণ শিতান | ৪০ |
| ১৬. | ‘ই-কোৰ্টছ’ মোবাইল এপ মেনু শিতানৰ বিভিন্ন লিংকসমূহ | ৪১ |
| ১৭. | ‘ই-কোৰ্টছ’ মোবাইল এপৰ (ই-পে লিংক) | ৪২ |
| ১৮. | ‘ই-কোৰ্টছ’ মোবাইল এপৰ এন.জে.ডি.জি. লিংক | ৪২ |
| ১৯. | ‘ই-কোৰ্টছ’মোবাইল এপৰ যোগেদি ইণ্ডিয়া কোড শিতানত প্ৰৱেশ | ৪৪ |
| | ১৯.১. ইণ্ডিয়া কোডৰ পৰা বেয়াৰ এক্টসমূহৰ অনুসন্ধান | ৪৪ |

| | | |
|---|---|---|
| ২০. | ‘ই-কোৰ্টছ’ মোবাইল এপৰ ই-দাখিল লিংক | ৪৫ |
| ২১. | ‘ই-কোৰ্টছ’ মোবাইল এপৰ ভাৰ্চুৱেল আদালতৰ লিংক | ৪৫ |
| ২২. | ‘ই-কোৰ্টছ’ মোবাইল এপত অধিবক্তাসকলৰ লিংকৰ বাবে প্ৰ-পত্ৰসমূহ | ৪৬ |
| ২৩. | সহায় বিকল্প | ৪৭ |


***********

# ই-আদালত সেৱা

# মোবাইল এপ্লিকেশ্যন

সকলো গোচৰৰ স্থিতি ২৪ ঘন্টাই আপোনাৰ হাততে থকাৰ সপোন কেতিয়াবা দেখিছেনে? ই-আদালত মোবাইল এপৰ দ্বাৰা এনে সপোন বাস্তৱায়িত হৈছে। বৰ্তমান, সংশ্লিষ্ট আদালত চৌহদলৈ শাৰীৰিকভাৱে নোযোৱাকৈ যিকোনো ব্যক্তিয়ে নিজৰ মোবাইল ফোনৰ জৰিয়তে গোচৰৰ স্থিতি, আদালতৰ ৰায়, গোচৰসূচী চাব পাৰিব। ভাৰতবৰ্ষৰ উচ্চতম ন্যায়ালয়ৰ ই-কমিটিয়ে মোকৰ্দমাৰত ব্যক্তি, অধিবক্তা, আইনী ব্যৱসায়িক প্ৰতিষ্ঠান, পুলিচ, চৰকাৰী প্ৰতিষ্ঠান আৰু মোকৰ্দমাৰত প্ৰতিষ্ঠানৰ সুবিধাৰ্থে "ই-আদালত সেৱা" নামেৰে এক মোবাইল এপ্লিকেশ্যন উন্মোচন কৰিছে।

মোবাইল এপ্লিকেশ্যনটোৰ লগত সংযোজিত হৈ থকা বিকল্প যেনে- চি.এন.আৰ. নম্বৰৰ জৰিয়তে গোচৰৰ অনুসন্ধান, গোচৰ নং ব্যৱহাৰ কৰি গোচৰৰ স্থিতি অনুসন্ধান, ৰূজু নং, পক্ষসমূহৰ নাম, এজাহাৰ নম্বৰ, অধিবক্তাৰ সবিশেষ, বিধিসমূহ, গোচৰৰ ধৰণ। আপুনি ই-আদালত মোবাইল এপৰ সহায়ত কোনো মূল্য পৰিশোধ নকৰাকৈ গোচৰৰ ইতিবৃত্ত, এক গোচৰৰ পঞ্জী, গোচৰ সূচী, গোচৰৰ বদলিৰ সবিশেষ আদেশ আৰু ৰায়ো চাব পাৰিব। আন যিকোনো ধৰণৰ এপৰ দৰেই আপুনি এণ্ড্ৰইড ফোনৰ বাবে গুগল প্লে-ষ্টোৰৰ পৰা আৰু আই-ফোন, আই-পেডৰ বাবে এপল এপ-ষ্টোৰৰ পৰা ডাউনলোড কৰিব পাৰিব। চৰকাৰী ই-কমিটিৰ বেৱছাইটত দিয়া ডাউনলোড লিংক https://ecommitteesci.gov.in-ৰ পৰাও আপুনি ডাউনলোড কৰিব পাৰিব।

ই-আদালত মোবাইল এপৰ অন্তৰ্গত ই-আদালত সেৱাসমূহৰ লগত যুক্ত আন এক সুবিধা এইয়ে যে, এই সেৱাৰ ব্যৱস্থা 'মোৰ গোচৰ'- বিকল্প ব্যৱহাৰ কৰি কাষ্টোমাইজড (প্ৰয়োজন অনুসৰি সালসলনি) কৰিব পাৰি, যি এজন অধিবক্তা/ মোকৰ্দমাৰত ব্যক্তিৰ বাবে এক ডিজিটেল ডায়েৰী স্বৰূপ হয়। "মোৰ গোচৰ" ব্যৱহাৰ কৰি কোনো ব্যক্তিয়ে ব্যক্তিগত গোচৰ নং সংযোজিত কৰিব পাৰিব আৰু স্বয়ংচালিত আপডেটছ লাভ কৰিব পাৰিব। এই ব্যৱস্থা বিভিন্ন ঠাইৰ বিভিন্ন আদালতত অসংখ্য গোচৰৰ মোকৰ্দমাৰত ব্যক্তি, আইনী ব্যৱসায়িক প্ৰতিষ্ঠান, কোম্পানীৰ বাবে সহায়কাৰী হয়। "মোৰ গোচৰ"ত গোচৰৰ ব্যক্তিগত সূচী সংযোজিত কৰিব পাৰিব আৰু ই-আদালত মোবাইল এপ্লিকেশ্যনৰ জৰিয়তে সকলো আপডেটছ লাভ কৰিব পাৰিব। এই কথাৰ কোনো সন্দেহ নাই যে ই-আদালত সেৱা মোবাইল এপ হ'ল- গোচৰৰ সকলো তথ্য ২৪ ঘন্টাই বিনামূল্যে আপোনাৰ মোবাইলত থকা ব্যক্তিগত ডিজিটেল গোচৰ পঞ্জী।

## ১. “ই-আদালত সেৱা” মোবাইল এপ কেনেদৰে ইনষ্টল কৰিবঃ

১.১. https://ecommitteesci.gov.in আৰু https://ecourts.gov.in ৱেবছাইটৰ পৰা ডাউনলোড কৰক


১.২. গুগল ষ্টোৰৰ পৰা ডাউনলোড কৰক

১.৩. এপল ষ্টোৰৰ পৰা ডাউনলোড কৰক

## ১.১. ই-সমিতি আৰু ই-আদালত ৱেবছাইটৰ পৰা ডাউনলোড কৰকঃ


কোনো ব্যক্তিয়ে গুগল প্লে-ষ্টোৰ/ এপল আই-টিউনছ-ষ্টোৰৰ পৰা নতুন ই-আদালত মোবাইল এপ ডাউনলোড কৰিব পাৰে। ই-আদালত ৱেবছাইটে গুগল প্লে-ষ্টোৰ/ এপল আই-টিউনছৰ পৰা ই-আদালত সেৱা মোবাইল এপ ডাউনলোড কৰাৰ এক শ্বৰ্টকাট লিংকৰ ব্যৱস্থাও কৰিছে। এই শ্বৰ্টকাট লিংকত ক্লিক কৰি আপুনি সংশ্লিষ্ট প্লে-ষ্টোৰসমূহৰ পৰা ডাউনলোড কৰিব পাৰিব। ই-আদালত ৱেব পেজত থকা মোবাইল এপ ডাউনলোড লিংকটো তলত স্ক্ৰীনশ্বটৰূপে প্ৰদৰ্শন কৰা হৈছে। ইনষ্টলেশ্যন সম্পূৰ্ণ হ’লে, আপুনি এপটোৰ “অ’পেন” বুটামত টিপিব লাগিব, যাৰ দ্বাৰা এপটো খোলা যাব আৰু ই-আদালত এপৰ আৰম্ভণিৰ পৰ্দা (স্ক্ৰীন) দেখা যাব, যিখন তলৰ স্ক্ৰীনশ্বটত দেখুওৱা হৈছে।




## ১.২. এণ্ড্ৰইডৰ কাৰণে গুগল প্লে-ষ্টোৰৰ পৰা ডাউনলোড কৰকঃ


যদি আপোনাৰ এটা এণ্ড্ৰইড স্মাৰ্টফোন আছে, গুগল প্লে-ষ্টোৰত ই-আদালত মোবাইল এপৰ অনুসন্ধান কৰক আৰু ডাউনলোডত ক্লিক কৰক, তাৰ পিছত ‘ইনষ্টল’ত ক্লিক কৰক আৰু আপোনাৰ এণ্ড্ৰইড স্মাৰ্টফোনত মোবাইল এপ ইনষ্টল হ’ব।




## ১.৩. আই-ফোন/ আই-পেডৰ কাৰণে এপল ষ্টোৰৰ পৰা পোনপটীয়াকৈ ডাউনলোড কৰকঃ

যদি আপোনাৰ এটা এপল আই-ফোন আছে, এপল ষ্টোৰত “ই-আদালত সেৱা মোবাইল এপ”ৰ অনুসন্ধান কৰক আৰু ডাউনলোডত ক্লিক কৰক, তাৰ পিছত ইনষ্টলত ক্লিক কৰক আৰু আপোনাৰ এপল আই-ফোনত মোবাইল এপ ইনষ্টল হ’ব। একেধৰণেই, আই-পেজৰ বাবেও ই-আদালত সেৱা মোবাইল এপ পোৱা যায়, যিটোৰ ডাউনলোড আৰু ইনষ্টল আইপেডত কৰিব পাৰিব।



## ২.  ই-আদালত এপ কনফিগাৰ কৰকঃ




ই-আদালত মোবাইল এপৰ বৰ্তমান উপলব্ধ সংস্কৰণে তিনি ভাগত সেৱা আগবঢ়ায়; (ক) উচ্চ ন্যায়ালয় (খ) জিলা আদালত (গ) উভয়। ই-আদালত মোবাইল এপত, জিলা আদালত বা উচ্চ ন্যায়ালয় বা উভয়ৰে গোচৰ চাবলৈ আপুনি এপটো কনফিগাৰ কৰিব পাৰিব। তাৰ বাবে, আপুনি মূল সূচীৰ চিহ্নত ক্লিক কৰি কনফিগাৰ শীৰ্ষক বিকল্প চয়ন কৰিব লাগিব। উচ্চ ন্যায়ালয়ৰ সেৱাসমূহ চাবলৈ “উচ্চ ন্যায়ালয়” শীৰ্ষক ৰেডিঅ’ বুটাম ক্লিক কৰি আপোনাৰ মোবাইল এপ কনফিগাৰ কৰিব পাৰিব। জিলা আদালতৰ সেৱাসমূহ চাবলৈ “জিলা আদালত” শীৰ্ষক ৰেডিঅ’ বুটাম ক্লিক কৰি আপোনাৰ মোবাইল এপ কনফিগাৰ কৰিব পাৰিব। আৰু, যদি উচ্চ ন্যায়ালয়সমূহ আৰু জিলা আদালতসমূহৰ সেৱা চাব বিচাৰিলে, আপুনি ৰেডিঅ’ বুটাম “উভয়”-ত ক্লিক কৰিব লাগিব।

## ৩.  ই-আদালত মোবাইল এপ ছয়টা ভাৰতীয় ভাষাতঃ (শীঘ্ৰে আৰম্ভণি হ’ব লগা)

ই-আদালত মোবাইল এপৰ শেহতীয়া সংস্কৰণ, যিটোৰ পৰীক্ষণ চলি আছে, সেইটো ইংৰাজী তথা ছয়টা আঞ্চলিক ভাষাত উপলব্ধ কৰা হ’ব। নিয়মীয়া ব্যৱহাৰকাৰীৰ কৌতূহল মাৰ নিয়াবলৈ ছয়টা ভাৰতীয় আঞ্চলিক ভাষাত ই-আদালত এপ্লিকেশ্যনৰ স্ক্ৰীনশ্বটসমূহ তলত সংযোজিত কৰা হ’ল।


* হিন্দী
* কানাড়া
* মাৰাঠী
* গুজৰাটী
* তামিল
* তেলেগু




**৪. ই-আদালত সেৱা মোবাইল এপৰ অতিকৈ জানিবলগীয়া মৌলিক চিহ্নসমূহঃ**

**৪.১. আৰম্ভণি পৃষ্ঠাঃ**

ই-আদালত মোবাইল এপ্লিকেশ্যন



### ৪.২. তালিকাৰ চিহ্নসমূহঃ

যদি আপুনি তিনি শাৰীযুক্ত চিহ্নত ক্লিক কৰে, এই চিহ্নই ই-আদালত মোবাইল এপৰ সম্পূৰ্ণ তালিকা প্ৰদৰ্শন কৰিব।





### ৪.৩. জিলা আদালত/ উচ্চ ন্যায়ালয়ৰ গোচৰৰ সবিশেষঃ

জিলা আদালত বা উচ্চ ন্যায়ালয় বা উভয় জিলা আদালত আৰু উচ্চ ন্যায়ালয়ৰ গোচৰৰ বাবে আপুনি মোবাইল এপৰ কনফিগাৰ কৰিব পাৰিব।




### ৪.৪. মূলসূচীৰ বিকল্পসমূহঃ

(i) চি.এন.আৰ. অনুসন্ধান (ii) গোচৰৰ স্থিতি অনুসন্ধান (iii) গোচৰ সূচী; (iv) মোৰ গোচৰৰ বিকল্পসমূহ




### ৪.৫. চি.এন.আৰ. অনুসন্ধানঃ

**চি.এন.আৰ.** চিহ্ন ব্যৱহাৰ কৰি, চি.এন.আৰ. নম্বৰৰ সহায়ত গোচৰৰ স্থিতি অনুসন্ধান কৰিব পাৰিব।



## ৪.৬. গোচৰৰ স্থিতিৰ অনুসন্ধানঃ

গোচৰৰ স্থিতি বিকল্প ব্যৱহাৰ কৰি, কোনো ব্যক্তিয়ে নিম্ন উল্লিখত ন-প্ৰকাৰৰ অনুসন্ধান কৰিব পৰা বিকল্পৰ সহায়ত গোচৰৰ স্থিতি লাভ কৰিব পাৰিব।

**গোচৰ নং** **পক্ষৰ নাম**

**দাখিল নং** **এজাহাৰ**

**অধিবক্তা** **আইন**


**গোচৰৰ ধৰণ** **কেভিয়েট**

**প্ৰি-ট্ৰায়েল দৰ্খাস্ত**




## ৪.৭. গোচৰ সূচীঃ

এই চিহ্ন ব্যৱহাৰ কৰি, কোনো ব্যক্তিয়ে যিকোনো আদালতৰ **গোচৰ সূচী** চাব পাৰিব।




## ৪.৮. মোৰ গোচৰঃ

**"মোৰ গোচৰ" বিকল্প**ত আপুনি গোচৰৰ ব্যক্তিগত সূচী সংৰক্ষণ কৰিব পাৰিব।




### ৪.৯. মোৰ গোচৰসমূহঃ (তাৰিখ অনুসৰি/ জিলা অনুসৰি)

মোৰ গোচৰসমূহ দুই ধৰণে তাৰিখ অনুসৰি/ জিলা অনুসৰি প্ৰদৰ্শন কৰা হৈছে। আপোনাৰ ইচ্ছা অনুযায়ী প্ৰদৰ্শনৰ ধৰণ বাছনি কৰি ল'ব পাৰিব।





### ৪.১০. কেলেণ্ডাৰ বিকল্পঃ

কেলেণ্ডাৰ বিকল্পই কেলেণ্ডাৰ ফৰমেটত গোচৰসমূহ প্ৰদৰ্শন কৰিব।




### ৪.১১. ৰিফ্ৰেশ্ব বুটামঃ

এই চিহ্ন এবাৰ ক্লিক কৰিলে, ই তথ্যসমূহ নকৈ আপডেট কৰিব।



### ৪.১২. মোৰ গোচৰৰ অন্তৰ্গত অনুসন্ধান বিকল্পঃ

মোৰ গোচৰৰ অন্তৰ্গত (অনুসন্ধান বাকচ)এ আপোনাৰ "মোৰ গোচৰসমূহৰ তালিকা"ত অনুসন্ধান কৰাত সহায়ক হ'ব।




### ৪.১৩. কিউ.আৰ.কোড.

প্ৰতিটো গোচৰৰ বাবে থকা মোবাইল এপৰ গোচৰৰ ইতিবৃত্তত কোনো বিশেষ গোচৰ উপলব্ধ হ’ব।




### ৪.১৪. কিউ.আৰ.কোড. স্কেনঃ

মোবাইল ফোনৰ পৰা পোৱা কিউ.আৰ.কোড., কেছ বাওলত সংযোজিত কৰিব পাৰিব, আৰু বিশেষ কোনো গোচৰৰ স্থিতি জানিবলৈ এইটো মোবাইল এপত থকা স্কেন কিউ.আৰ.কোড. ব্যৱহাৰ কৰি সহজতে স্কেন কৰিব পৰা যাব।




### ৪.১৫. আই.এ. সবিশেষঃ

যদি সংশ্লিষ্ট আদালতে সংযোজিত কৰে, তেন্তে ব্যক্তিবিশেষে গোচৰৰ ইতিবৃত্তৰ আই.এ. সবিশেষ লাভ কৰিব পাৰিব।

IA Details

| IA Number | Party | Date of Filing | Next Date | IA Status |
|---|---|---|---|---|
| IA/1/2019 | XXXXXXX XXXXXXX | 24-01-2019 | 28-05-2020 | Pending |

### ৪.১৬. স্থানান্তৰণৰ সবিশেষঃ

মোবাইল এপৰ সহায়ত ব্যক্তিবিশেষে এখন আদালতৰ পৰা আনখনলৈ স্থানান্তৰণৰ সবিশেষ লাভ কৰিব পাৰিব।

Case Transfer Details Between The Courts

| Transfer Date | From Court No. and Judge | To Court No. and Judge |
|---|---|---|
| 17-07-2018 | 15 - District Judge-13 and Addl Sessions Judge Abad | 21 - Adhoc District Judge-5 Asst Sessions Judge Abad |

## ৪.১৭. নিম্ন আদালতৰ তথ্যঃ

আপীলৰ ক্ষেত্ৰত, নিম্ন আদালতৰ তথ্য উপলব্ধ হয়।

| Subordinate Court Information | |
|---|---|
| Court No. and Name | 5th Jt. Civil Judge J.D. J.M.F.C. Aurangabad |
| Case No. and Year | - 0000353 - 2014 |
| Case Decision Date | 14-11-2016 |


## ৪.১৮. গোচৰৰ ইতিবৃত্তঃ

গোচৰৰ ইতিবৃত্তৰ অধীনত, নিম্ন উল্লিখিত শিতানসমূহত কোনো ব্যক্তিয়ে এটা গোচৰৰ সবিশেষ লাভ কৰিব পাৰিব

- গোচৰৰ সবিশেষ;
- গোচৰৰ স্থিতি;
- কিউ.আৰ.কোড.;
- আবেদনকাৰী আৰু অধিবক্তা;
- প্ৰতিবাদী আৰু অধিবক্তা;
- আইন;
- গোচৰৰ শুনানীৰ ইতিবৃত্ত;
- চূড়ান্ত ৰায়



## ৫.	ই-আদালত সেৱা মোবাইল এপৰ জৰিয়তে গোচৰৰ সবিস্তাৰ ইতিবৃত্ত সংগ্ৰহঃ



## ৬. গোচৰৰ বিকল্প অনুসন্ধান কৰাঃ

ই-আদালতৰ মোবাইল এপৰ ভিতৰত দুখন মুখ্য অনুসন্ধান কৰা তালিকা আছে

(i) চি.এন.আৰ. অনুসন্ধান

(ii) গোচৰৰ স্থিতি অনুসন্ধান

আহক, আমি এতিয়া এটা এটাকৈ চাওঁ।

## ৭. চি.এন.আৰ. নং ব্যৱহাৰ কৰি গোচৰ অনুসন্ধানঃ




গোচৰৰ সবিশেষ জানিবলৈ আপোনাৰ ফোনত মোবাইল এপৰ যোগেদি চি.এন.আৰ. নং ব্যৱহাৰ কৰাটোৱে হ'ল- ক্ষিপ্ৰতম উপায়। যদি আপুনি চি.এন.আৰ. নম্বৰৰ বিষয়ে জানিব বিচাৰে, অনুগ্ৰহ কৰি পঢ়ি যাওক।

### ৭.১. চি.এন.আৰ. নম্বৰ মানে কিঃ

চি.এন.আৰ. মানে কেছ ৰেকৰ্ড। চি.এন.আৰ. হ'ল- সকলো ধৰণৰ গোচৰৰ বাবে দিয়া ১৬ সংখ্যক নম্বৰ। চমুকৈ ক'বলৈ হ'লে, এইটো হ'ল- যিকোনো ধৰণৰ গোচৰৰ পৰিচায়ক স্বৰূপ গোচৰৰ নম্বৰ। গোচৰ ইনফৰ্মেশ্যন ছিষ্টেমৰ জৰিয়তে দাখিল কৰা প্ৰত্যেকটো গোচৰত চি.এন.আৰ. আৰোপ কৰা হয়। এইটো ৰে'লৰ টিকটত ব্যৱহৃত পি.এন.আৰ. নম্বৰৰ অনুৰূপ হয়। যিকোনো ব্যক্তিয়ে উচ্চ ন্যায়ালয় আৰু জিলা আদালতত থকা তেওঁৰ গোচৰ চাব পাৰিব চি.এন.আৰ. নম্বৰ ব্যৱহাৰ কৰি, যিটো এককভাৱে ব্যৱহৃত ১৬ সংখ্যক চি.এন.আৰ. নম্বৰ।

| CNR Number | PBJL01-015294-2016 | MLSH04-000548-2017 | TNSA06-000398-2017 |
|---|---|---|---|
| State code (2 digits) | PB (Punjab) | ML (Megalaya ) | TN (Tamil Nadu) |
| District Code (2 digits) | JL (Jalandar) | SH (East Khasi district) | SA (Salem district) |
| Establishment Code (2 digits) | (01) (District and sessionscourt Establishment) | 04 (Chief Judicial Magistrate Establishment) | 05 (Principal District Munsif Establishment) |
| Case filing number (6 digits) | 014824 (Case number) | 000548 (Case Number) | 000470 (Case Number) |
| Filing year (4 digits) | 2015 (Filing Year) | 2017 (Filing Year) | 2017 (Filing Year) |
| Total (16digit) (State code) (District code) (Establishment code) (Case filing number) (Filing year) | (PB)(JL)(01) (014824)(2015) (Total 16 digits) | (ML)(SH)(04) (000548)(2017) (Total 16 digits) | (TN)(SA)(05) (000470)(2017) (Total 16 digits) |

## ৭.২. আপোনাৰ চি.এন.আৰ. নং কেনেদৰে জানিবঃ

এজন মোকৰ্দমাৰত ব্যক্তি/ অধিবক্তা অথবা যিকোনো লোকে প্ৰত্যেকটো গোচৰৰ বাবে দুই ধৰণে চি.এন.আৰ. লাভ কৰিব পাৰে।

(i) ই-আদালত সেৱা মোবাইল এপৰ পৰা;

(ii) ই-আদালত সেৱাৰ ৱেবছাইট লিংকৰ পৰা।

## ৭.৩. ই-আদালত মোবাইল এপৰ পৰা কেনেদৰে চি.এন.আৰ. নং সংগ্ৰহ কৰিবঃ

চি.এন.আৰ. নং সংগ্ৰহ কৰিবলৈ, আপোনাৰ হাতত জিলা, আদালতৰ নাম আৰু আন কোনো বিশেষ নথি যেনে- গোচৰ নং বা দাখিল নং অথবা পক্ষৰ নাম ইত্যাদি থাকিব লাগিব। গোচৰ নং ব্যৱহাৰৰ দ্বাৰা ই-আদালত মোবাইল এপৰ পৰা চি.এন.আৰ. নম্বৰ লাভ কৰা প্ৰক্ৰিয়াৰ এটা এটাকৈ পদক্ষেপ আমি চাওঁ আহকঃ




উদাহৰণঃ অ.এছ. ৫০/২০১৭ নিম্ন আদালত, অবিনাশী, জিলা-তিৰুপ্পুৰ, তামিলনাডুৰ চি.এন.আৰ. নম্বৰ কেনেদৰে বিচাৰিব।

**১ম পদক্ষেপঃ** ই-আদালত সেৱা মোবাইল এপলৈ যাওক।

**২য় পদক্ষেপঃ** মূলসূচীৰ পৰা গোচৰ স্থিতি চয়ন কৰক।



**৩য় পদক্ষেপঃ**

- গোচৰৰ স্থিতিত ক্লিক কৰক।
- ৰাজ্য, জিলা চয়ন কৰক।
- গোচৰৰ নং বিকল্প চয়ন কৰক।
- গোচৰৰ ধৰণ চয়ন কৰক।
- গোচৰৰ নং ভৰ্তি কৰক।
- বৰ্ষ ভৰ্তি কৰক।
- গ’ (যোৱা)ত ক্লিক কৰক।
- আদালতৰ নামত ক্লিক কৰক, তাৰ পিছত গোচৰৰ সবিশেষ দেখা যাব।
- গোচৰৰ নম্বৰত
- (ও.এছ./৫০/২০১৭) ক্লিক কৰক, যিটোৰ তলত আঁচ পৰা থাকিব আৰু নীলা ৰঙত দেখা যাব।
- চি.এন.আৰ. নম্বৰৰ লগত গোচৰৰ সবিশেষ দেখা যাব।
- সাজু তথ্যৰ বাবে এই পদক্ষেপসমূহৰ স্ক্ৰীনশ্বটসমূহ ইয়াৰ লগত সংলগ্ন কৰা হ’ল।


Case History
Sub Court,Avinashi

| Case Details | |
|---|---|
| Case Type | OS |
| Filing Number | 50/2017 |
| Filing Date | 24-06-2009 |
| Registration Number | 50/2017 |
| Registration Date | 24-06-2009 |
| CNR Number | TNTI160001902017 |

## ৭.৪. চি.এন.আৰ. ব্যৱহাৰ কৰি কেনেদৰে গোচৰ অনুসন্ধান কৰিবঃ

আহক আমি চাওঁ, কেনেদৰে চি.এন.আৰ. নম্বৰ ব্যৱহাৰ কৰি গোচৰৰ স্থিতি অনুসন্ধান কৰিব

**১ম পদক্ষেপঃ** মোবাইল এপত চি.এন.আৰ. চিহ্নত ক্লিক কৰক।

**২য় পদক্ষেপঃ** চি.এন.আৰ. নম্বৰ লিখক।


**৩য় পদক্ষেপঃ** অনুসন্ধান বুটামত ক্লিক কৰক।


**৪ৰ্থ পদক্ষেপঃ** গোচৰৰ ইতিবৃত্তৰ প্ৰদৰ্শন * গোচৰৰ সবিশেষ * গোচৰৰ স্থিতি * আবেদনকাৰী আৰু অধিবক্তাৰ সবিশেষ * প্ৰতিবাদকাৰী আৰু অধিবক্তাৰ সবিশেষ * এজাহাৰৰ সবিশেষ * গোচৰ শুনানিৰ ইতিবৃত্ত * চূড়ান্ত আদেশ/ ৰায়।

**৫ম পদক্ষেপঃ** "গোচৰৰ সবিশেষ"- শিতানত ক্লিক কৰক।

**৬ষ্ঠ পদক্ষেপঃ** এইবাৰ চি.এন.আৰ. নম্বৰৰ সৈতে গোচৰৰ সবিশেষ প্ৰদৰ্শন কৰিব।

(সাজু তথ্যৰ বাবে ১ৰ পৰা ৬ নং পদক্ষেপৰ স্ক্ৰীনশ্বটসমূহ তলত দিয়া হ'ল।)







## ৮.	গোচৰৰ স্থিতি অনুসন্ধানঃ বিভিন্ন বিকল্পৰ ব্যৱহাৰঃ

আপোনাৰ গোচৰৰ স্থিতি সাতটা বিকল্পৰ সহায়ত অনুসন্ধান কৰিব–

- (i)	**গোচৰ নং**
- (ii)	**দাখিল নং**
- (iii)	**অধিবক্তা**
- (iv)	**গোচৰৰ ধৰণ**
- (v)	**পক্ষৰ নাম**
- (vi)	**এজাহাৰ নং**
- (vii)	**আইন**
- (viii)	**প্ৰি–ট্ৰায়েল ব্যৱস্থা**
- (ix)	**কেভিয়েট**

যদি, কোনো লোকে চি.এন.আৰ. নম্বৰটো নাজানে, তেন্তে যিকোনো এটা বিকল্প ব্যৱহাৰ কৰি অনুসন্ধান কৰিব পাৰিব। এতিয়া, আহক আমি চাওঁ গোচৰৰ স্থিতিৰ অন্তৰ্গত প্ৰথমটো বিকল্প, অৰ্থাৎ গোচৰ নং বিকল্প ব্যৱহাৰ।



## ৮.১. গোচৰ নং বিকল্প ব্যৱহাৰ কৰি গোচৰৰ স্থিতি চাওকঃ

এইবাৰ আমি গোচৰ স্থিতিৰ অন্তৰ্গত প্ৰথমটো বিকল্প চাওঁ আহক, অৰ্থাৎ ই-আদালত সেৱা মোবাইল এপ্লিকেশ্যনৰ গোচৰ নং বিকল্পৰ ব্যৱহাৰ।




**১ম পদক্ষেপঃ** ই-আদালত তালিকাৰ গোচৰ স্থিতি ক্লিক কৰক।

**২য় পদক্ষেপঃ** ৰাজ্য আৰু জিলাৰ চয়ন কৰক।

**৩য় পদক্ষেপঃ** গোচৰ নং বিকল্পত ক্লিক কৰক।

**৪ৰ্থ পদক্ষেপঃ** আপুনি যেতিয়া গোচৰ নং বিকল্পত ক্লিক কৰিব, ইয়াত দেখুওৱাৰ দৰে খোল খাব আৰু সবিশেষ তথ্য ভৰ্তি কৰক।


- আদালত চৌহদ
- গোচৰৰ ধৰণ
- গোচৰ নং
- বৰ্ষ

**৫ম পদক্ষেপঃ** সবিশেষ তথ্য ভৰ্তি কৰাৰ পিছত “গ’”বুটামত ক্লিক কৰক।

**৬ষ্ঠ পদক্ষেপঃ** গোচৰৰ মুঠ সংখ্যা প্ৰদৰ্শন হ’ব।

**৭ম পদক্ষেপঃ** যদি আমি গোচৰ নম্বৰত পুনৰ ক্লিক কৰো, তালিকাখন আগলৈ এনেদৰে খোল খাব–

(i) গোচৰৰ সবিশেষ
(ii) গোচৰৰ স্থিতি
(iii) আবেদনকাৰী আৰু অধিবক্তা
(iv) প্ৰতিবাদকাৰী আৰু অধিবক্তা
(v) আইন
(vi) এজাহাৰ সবিশেষ
(vii) নিম্ন আদালতৰ তথ্য
(viii) গোচৰৰ শুনানিৰ ইতিবৃত্ত
(ix) অন্তৰ্বৰ্তী আদেশ (ইণ্টেৰিম অৰ্ডাৰ)
(x) চূড়ান্ত আদেশ/ৰায়





**(* প্ৰত্যেকবাৰ গোচৰ স্থিতি বিকল্প ব্যৱহাৰৰ সময়ত ৰাজ্য, জিলাৰ চয়ন সুনিশ্চিত কৰক।)**

## ৮.২. গোচৰৰ স্থিতি চাওক গোচৰ দাখিল নং ব্যৱহাৰ কৰি গোচৰৰ স্থিতি চাওকঃ


গোচৰ স্থিতিৰ অন্তৰ্গত ২য় বিকল্পটো হ'ল- দাখিল নং বিকল্প ব্যৱহাৰ।

গোচৰ স্থিতি বিকল্প ক্লিক কৰক- ৰাজ্য, জিলা চয়ন কৰক- দাখিল নং বিকল্প ক্লিক কৰক- ড্ৰপ বক্সত থকা আদালত চৌহদ চয়ন কৰক- দাখিল নং আৰু বৰ্ষ ভৰ্তি কৰক- "গো" ক্লিক কৰক গোচৰৰ সবিশষ খোল খাব- শিৰোনামা সমূহত ক্লিক কৰিলে সবিশেষ তথ্য আগলৈ খোল খাব।




## ৮.৩. এজাহাৰ নম্বৰ ব্যৱহাৰ কৰি সন্ধান কৰকঃ

গোচৰৰ স্থিতিত টিপক >ৰাজ্য, জিলা বাছনি কৰক >এজাহাৰ নম্বৰ বিকল্পত টিপক >আদালত চৌহদ বাছনি কৰক >থানা নিৰ্বাচন কৰক >এজাহাৰ নম্বৰ আৰু বৰ্ষ সন্নিৱিষ্ট কৰক >বিচাৰাধীন/ নিষ্পত্তি/ দুয়োৰ বাবে ৰেডিঅ' বুটাম নিৰ্বাচন কৰক >গমনত টিপক >তেতিয়া এজাহাৰ নম্বৰযুক্ত গোচৰটো প্ৰতিফলিত হ'ব।




## ৮.৪. অধিবক্তা বিকল্প ব্যৱহাৰ কৰি গোচৰৰ স্থিতি চাওকঃ

যিকোনো অধিবক্তাৰ বাবে এই অনুসন্ধান কৰা বিকল্পটো ডিজিটেল ক্লাৰ্ক স্বৰূপ। কাৰণ, ক্লাৰ্ক এজনৰঅধিকাংশ কাম এই পদ্ধতিত সম্পাদন হয়। উদাহৰণস্বৰূপে, এই পদ্ধতিত সকলোবোৰ আদালতত অধিবক্তাৰ নামত কিমান গোচৰ বিচাৰাধীন হৈ আছে এই বিষয়ে ২৪ ঘন্টাই প্ৰকাশ কৰিব, নিৰ্দিষ্ট তাৰিখত কোনবোৰ গোচৰ পঞ্জীকৃত হৈছে, আৰু গোচৰসমূহৰ স্থিতি কি ২৪X৭ঘন্টাই তেওঁলোকৰ হেণ্ডছেটত প্ৰদৰ্শন কৰিব।


(i) বাৰ কোড ব্যৱহাৰ কৰি অনুসন্ধান,

(ii) ডেট কেছ তালিকা ব্যৱহাৰ কৰি এজন নিৰ্দিষ্ট অধিবক্তাৰ এটা নিৰ্দিষ্ট দিনত পঞ্জীকৃতগোচৰৰ অনুসন্ধান

### ৮.৪.১. অধিবক্তাৰ নামেৰে অনুসন্ধান।


যদি এজন অধিবক্তাই জানিব বিচাৰে তেওঁৰ নামত কিমাৰ গোচৰ বিচাৰাধীন হৈ আছে অথবা তেওঁৰ নামত কিমান গোচৰ মীমাংসিত হৈছে, তেন্তে অধিবক্তাৰ নাম বিকল্প ব্যৱহাৰ কৰি লাভ কৰিব পাৰিব।

**উদাহৰণ স্বৰূপে,** সংলগ্নি স্ক্ৰীনশ্বটত দেখা গৈছে যে, অধিবক্তাৰ নাম অনুসন্ধান বিকল্প ব্যৱহাৰ কৰা হৈছে- অধিবক্তা "ৰাজাপ্পা"ৰ বাবে আৰু, ব্যৱহাৰৰ ফলস্বৰূপ তানজাভুৰ, তামিলনাডুত ১৩টা বিচাৰাধীন গোচৰ লগতে প্ৰদৰ্শিত হৈছে আদালত অনুযায়ী মুঠ বিচাৰাধীন গোচৰ। যদি নম্বৰত ক্লিক কৰা হয়, সম্পূৰ্ণ তালিকা প্ৰদৰ্শিত হ'ব, যি গোচৰৰ সবিশেষসহ বহলাব পৰা যাব।




### ৮.৪.২. বাৰকোড ব্যৱহাৰ কৰি অনুসন্ধানঃ

কোনো ব্যক্তিয়ে অধিবক্তাৰ বাৰকোড ব্যৱহাৰ কৰিও অনুসন্ধান কৰিব পাৰিব। ইয়াৰ দ্বাৰা জিলাৰ সকলো আইনী প্ৰতিষ্ঠানৰ বিচাৰাধীন আৰু মীমাংসিত মুঠ গোচৰ প্ৰদৰ্শন কৰিব। **উদাহৰণ স্বৰূপে,** ঝাৰখণ্ড অধিবক্তা কোডৰ অনুসন্ধানে অধিবক্তা হুছেইন হাইকলৰ নামত ১৩১টা মুঠ গোচৰ প্ৰদৰ্শন কৰিব।





### ৮.৪.৩. ডেট গোচৰসূচী (এডভোকেট গোচৰসূচী) ব্যৱহাৰ কৰি অনুসন্ধানঃ

যদি এজন অধিবক্তাই চাব বিচাৰে নাম অনুসৰি গোচৰসূচী অৰ্থাৎ তেওঁৰ নামত এক নিৰ্দিষ্ট দিনত কিমান গোচৰ আদালতত উঠিছে, তেন্তে এই ডেট গোচৰসূচী ব্যৱহাৰ কৰিব পাৰিব, আৰু অধিবক্তা গোচৰসূচী সংগ্ৰহ কৰিব পাৰিব। অধিবক্তা গোচৰসূচীৰ লাভ এইয়ে যে, ইয়াৰ দ্বাৰা কোনো বিশেষ দিনত পঞ্জীকৃত গোচৰসমূহ গোচৰৰ স্থিতিৰ সৈতে প্ৰদৰ্শিত হ'ব।

**ডাটা গোচৰসূচী (এডভোকেট গোচৰসূচী)**

- ডাটা গোচৰসূচীত ক্লিক কৰক> তাৰ পিছত অধিবক্তাৰ বাৰকোড ভৰ্তি কৰক>তাৰ পিছত তাৰিখ চয়ন কৰক
- “গো” ক্লিক কৰক> তাৰ পিছত অধিবক্তাৰ বিবাদসূচী অৰ্থাৎ চয়নকৃত তাৰিখত অধিবক্তাজনৰ পঞ্জীকৃত গোচৰসমূহ প্ৰদৰ্শিত হ'ব।





Advocate's Cause list: 16-09-2020

Advocate: HUSSAIN HAIKAL

Total Number of Cases: 1


District And Sessions Court : 1

| Sr.No | Case Number | Party Name | Court Name | Stage Of Case |
|---|---|---|---|---|
| 1 | Criminal Appeal/97/2018 | Rajan Prasad vs State of | 12-Sri Avinash Kumar Dubey-District and Adl Sessions Judge X | ARGUMENTS |

## ৮.৫. গোচৰৰ প্ৰকাৰ বিকল্প ব্যৱহাৰ কৰি গোচৰৰ স্থিতি অৱলোকন/ দৰ্শন কৰাঃ

গোচৰৰ প্ৰকাৰত টিপক >গোচৰৰ প্ৰকাৰ বাছনিত টিপক >আদালতৰ চৌহদ বিকল্প বাছি লওক > গোচৰৰ প্ৰকাৰ বাছি লওক >বৰ্ষ পূৰ কৰক >বিচাৰাধীন/ নিষ্পত্তিৰ বাবে ৰেডিঅ' বুটাম বাছি লওক >গমনত টিপক >তেতিয়া গোচৰসমূহৰ সৈতে নিৰ্বাচিত গোচৰৰ প্ৰকাৰ প্ৰদৰ্শিত হয় >গোচৰ নম্বৰত টিপিলে গোচৰৰ ইতিবৃত্ত প্ৰকট হ'ব >যদি আমি শিৰোনামাত টিপো, ই বিশদ বিৱৰণলৈ সম্প্ৰসাৰিত হ'ব।

তলত দিয়া 'স্ক্ৰীন শ্বট' খনত নিৰ্বাচন কৰা গোচৰৰ প্ৰকাৰ হৈছে "আপীল", গতিকে, গোচৰৰ আপীল(AS) এ.এছ. তালিকাত প্ৰতিফলিত হৈছে। একেদৰে, যিকোনো গোচৰৰ প্ৰকাৰ নিৰ্বাচন কৰি আপুনি গোচৰৰ প্ৰকাৰ অনুযায়ী তালিকা পাব পাৰিব।







Sub Court,Avinashi : 49

| Sr.No | Case Number | Party Name |
|---|---|---|
| 1 | AS/57/2018 | Rajan nagar welfare Society vs SUBRAMANIAM |
| 2 | AS/56/2018 | Chinnasamy vs Deivasigamani(Died) |
| 3 | AS/55/2018 | Ramasamy gounder (DIED) vs Karuppa gounder (DIED) |
| 4 | AS/54/2018 | Kesavamorthy vs Ruckmani |
| 5 | AS/53/2018 | Poovathal vs Kumarasamy gounder |

## ৮.৬. পক্ষৰ বিকল্প ব্যৱহাৰ কৰি গোচৰৰ স্থিতি সম্পৰ্কে অৱলোকন কৰাঃ


গোচৰৰ স্থিতিত টিপক >ৰাজ্য, জিলা বাছনি কৰক >পক্ষৰ বিকল্পত টিপক >আদালতৰ চৌহদ বাছনি কৰক >আবেদনকাৰী/ গুচৰীয়া/ পদকীয়াৰ নাম বাছননি কৰক >বৰ্ষ পূৰ কৰক>বিচাৰাধীন/ নিষ্পত্তি/ দুয়োৰ বাবে ৰেডিঅ' বুটাম বাছনি কৰক >গমনত টিপক >তেতিয়া গোচৰৰ সংখ্যাৰ সৈতে পক্ষৰ নাম প্ৰতিফলিত হ'ব >তাৰ পিছত, আৱশ্যকীয় গোচৰ নম্বৰত টিপক >গোচৰৰ ইতিবৃত্ত প্ৰতিফলিত হ'ব।

প্ৰদৰ্শিত 'স্ক্ৰীণশ্বট' থনত সন্ধানৰ কাৰণে পক্ষৰ নাম "ৰংগস্বামী", ব্যৱহাৰ কৰা হৈছিল আৰু "ৰংগস্বামী" নাম সম্বলিত গোচৰসমূহ প্ৰতিফলিত হৈছে। একেধৰণে, পক্ষৰ নামৰ সন্ধান বিকল্প ব্যৱহাৰ কৰি আপুনি গোচৰৰ সন্ধান কৰিব পাৰিব।




## ৮.৭. অধিনিয়মৰ যোগেদি সন্ধানঃ

গোচৰৰ স্থিতিত টিপক >ৰাজ্য, জিলা বাছনি কৰক >অধিনিয়ম বিকল্পত টিপক (এক্ট)>আদালত চৌহদ নিৰ্বাচন কৰক >ধাৰা সন্নিৱিষ্ট কৰক >বিচাৰাধীন/ নিষ্পত্তিৰ বাবে ৰেডিঅ' বুটাম বাছনি কৰক >গমনত টিপক >তেতিয়া, অধিনিয়মৰ প্ৰকাৰ অনুসৰি গোচৰটো প্ৰতিফলিত হয়।





| Chief Judicial Magistrate : 3 | | |
|---|---|---|
| Sr.No | Case Number | Party Name |
| 1 | GR/1544/2020 | State of Jharkhand vs DIPAK SAHIS |
| 2 | GR/1443/2019 | State of Jharkhand vs JITENDRA PASWAN |
| 3 | GR/1387/2014 | State of Jharkhand vs Nipenn bhandari |
| District And Sessions Court : 10 | | |

## ৮.৮. কেভিয়েটঃ

আপুনি কেভিয়েটৰ যোগেদিও অনুসন্ধান কাৰ্য সম্পন্ন কৰিব পাৰে।


গোচৰৰ স্থিতিত টিপক >ৰাজ্য, জিলা বাছনি কৰক >কেভিয়েট বিকল্পত টিপক >আদালত চৌহদ বাছনি কৰক >সন্ধানৰ প্ৰকাৰ নিৰ্বাচন কৰক >কেভিয়েটৰ নাম সন্নিৱিষ্ট কৰক >কেভিয়েটকাৰীৰ নাম সন্নিৱিষ্ট কৰক >গমনত টিপক >তেতিয়া, কেভিয়েট সন্ধানৰ সবিশেষ প্ৰতিফলিত হ'ব >যিটো ওপৰঞ্চি টিপিব পাৰিব আৰু যি বিশদ বিৱৰণ প্ৰতিফলিত কৰিব।






## ৮.৯. প্ৰাক-বিচাৰ আবেদনঃ

আৰক্ষী চকী নিৰ্বাচন কৰক আৰু প্ৰতিপ্ৰেৰণ/ জামিন/ আবেদনৰ কাৰণে এজাহাৰ নম্বৰ পূৰ কৰক।




## ৯. 'ই-কোৰ্টছ' মোবাইল এপযোগে গোচৰসূচীৰ প্ৰাপ্তিঃ

মোবাইল এপৰ যোগেদি গোচৰসূচী লাভ কৰিব পৰাটো অধিবক্তা, গুচৰীয়া আৰু ন্যায়াধীশসকলৰ কাৰণে সমানকৈ উপযোগী। 'ই-কোৰ্টছ' মোবাইল এপৰ অধীনত তিনি প্ৰকাৰৰ গোচৰসূচী যেনেঃ- (i) যিকোনো আদালতৰ দেৱানী গোচৰ সূচী (ii) যিকোনো আদালতৰ ফৌজদাৰী গোচৰ সূচী (iii) অধিবক্তা অনুযায়ী গোচৰ সূচী, এই সকলোবোৰ প্ৰস্তুত/ সৃষ্টি কৰিব পাৰি।

"গোচৰ সূচী" বিকল্পৰ অধীনত দেৱানী গোচৰ সূচী আৰু ফৌজদাৰী গোচৰ সূচী প্ৰত্যক্ষ কৰিব পাৰি। গোচৰ স্থিতি সন্ধান শিতানৰ অধীনত উপলব্ধ অধিবক্তা বিকল্পৰ যোগেদি অধিবক্তা অনুযায়ী গোচৰসূচী প্ৰত্যক্ষ কৰিব পাৰি, যিটো "গোচৰৰ স্থিতি বিকল্প ব্যৱহাৰ কৰি সন্ধান"ৰ বিষয়বস্তুৰ অধীনত বহলাই কোৱা হৈছে। গোচৰ সূচী বিকল্প ব্যৱহাৰ কৰি আপুনি সু-নিশ্চিত হ'ব পাৰিব যে এটা নিৰ্দিষ্ট দিনত আপোনাৰ গোচৰটো উঠিব নে নুঠে। এইটো ন্যায়াধীশ, কৰ্মচাৰীবৃন্দ আৰু অধিবক্তাসকলৰ বাবে এক উপযোগী সময় ব্যৱস্থাপনা আহিলা, যাৰ যোগেদি এজন ব্যক্তিয়ে কোনো নিৰ্দিষ্ট দিনত কিমান সংখ্যক গোচৰ তালিকাভুক্ত কৰা হৈছে সেই বিষয়ে জানিব পাৰিব আৰু দিনটোৰ কৰ্মৰাজিৰ পৰিকল্পনা যুগুত কৰিব পাৰিব আৰু এই তথ্যসমূহ এতিয়া মোবাইল এপৰ যোগেদি ফোনত প্ৰত্যক্ষ কৰিব পৰা যাব।

১. গোচৰসূচী প্ৰতিৰূপত টিপক।

২.	ৰাজ্য, জিলা বাছনি কৰক।


৩.	আদালতৰ চৌহদ বাছনি কৰক।

৪.	আদালতৰ নাম বাছনি কৰক।

৫.	কেলেণ্ডাৰৰ পৰা গোচৰ সূচীৰ তাৰিখ বাছনি কৰক।


৬.	দেৱানী বা ফৌজদাৰীত টিপক, তেতিয়া দেৱানী গোচৰ সূচী/ ফৌজদাৰী গোচৰ সূচী প্ৰতিফলিত হ'ব।

৭.	ছাৰ্চ বক্স ব্যৱহাৰ কৰি গোচৰ সূচীত নিৰ্দিষ্ট গোচৰসমূহ সন্ধান কৰিব পৰা যায়।





## ১০.	মোৰ গোচৰ বিকল্প শিতানঃ

"মোৰ গোচৰ বিকল্প" হৈছে অধিবক্তা আৰু গুচৰীয়া সকলৰ বাবে এক অতিকৈ আকৰ্ষণীয় আৰু উপযোগী বিকল্প, কাৰণ ই ডিজিটেল পাৰ্চনেল কেছ ডায়েৰীৰ দৰে কাম কৰে। 'ই-কোৰ্টছ এপৰ' ই এক অনন্য বৈশিষ্ট্য। গুচৰীয়া বা অধিবক্তাই তেওঁলোকৰ গোচৰসমূহ 'মোৰ গোচৰ' শিতানৰ অধীনত সংৰক্ষণ আৰু মজুত কৰি ৰাখিব পাৰে আৰু যেতিয়াই আৱশ্যক হয় তাৰ সবিশেষ চাব পাৰিব।




## ১০.১. কেনেকৈ “মোৰ গোচৰ” শিতানত গোচৰসমূহ সংযোজন কৰিবঃ




যদি আপুনি “মোৰ গোচৰ” তালিকাত গোচৰসমূহ সংযোজন কৰিব বিচাৰে, তেন্তে, এইসমূহ পদক্ষেপ অনুসৰণ কৰক–

(i) আপুনি যিটো গোচৰ “মোৰ গোচৰ” শিতানত সংযোজন কৰিব বিচাৰে সেইটো ই-কোৰ্টচ মোবাইল এপৰ যোগেদি অনুসন্ধান কৰক।

(ii) স্ক্ৰীণশ্বটত দেখুওৱা অনুসৰি “গোচৰ সংযোজন” বুটামটো অনুসন্ধান কৰা গোচৰৰ গোচৰ ইতিবৃত্তৰ সোঁফালৰ শীৰ্ষস্থানত প্ৰতিফলিত হ’ব।

(iii) “গোচৰ সংযোজন”ত টিপিলে গোচৰটো মোৰ গোচৰ তালিকাত সংযোজিত হ’ব।

এজন অধিবক্তা বা তৰণীয়ে “মোৰ গোচৰ” শিতানত তেওঁলোকৰ দপ্তৰৰ গোচৰসমূহ সংযোজন কৰিব পাৰিব আৰু দপ্তৰৰ গোচৰসমূহৰ এখন ডিজিটেল ডায়েৰী তদাৰকী/ প্ৰতিপালন কৰিব পাৰিব আৰু “মোৰ গোচৰ” বিকল্প ব্যৱহাৰ কৰি গোচৰসমূহৰ শেহতীয়া তথ্য আৰু স্থিতি সম্পৰ্কে জানিব পাৰিব। এজন জ্যেষ্ঠ অধিবক্তাই গুৰুত্বপূৰ্ণ গোচৰসমূহ অকলেই সংযোজন কৰিব পাৰিব আৰু কোনো এজন কনিষ্ঠ বা তৰণীৰ সহায় নোলোৱাকৈ গোচৰৰ স্থিতি অনুসৰণ কৰি থাকিব পাৰিব আৰু 24 x 7 গোচৰৰ স্থিতি চাব পাৰিব। এজন গুচৰীয়াইও “মোৰ গোচৰ” শিতানত তেওঁৰ গোচৰসমূহ সংযোজন কৰিব পাৰে। একেধৰণে, গুচৰীয়া পক্ষ, আদালতৰ কৰ্তব্যৰত কনিষ্টবল, অনুসন্ধানকাৰী বিষয়া, চৰকাৰী অধিবক্তাইও “মোৰ গোচৰ তালিকা” ব্যৱহাৰ কৰিব পাৰিব আৰু 24 x 7 সেইসমূহৰ অনুসৰণ কৰিব পাৰিব।

## ১০.২. “মোৰ গোচৰ” শিতানৰ পৰা গোচৰসমূহ কেনেকৈ মোচন কৰিবঃ

“মোৰ গোচৰ” শিতানৰ পৰা গোচৰসমূহ মোচন কৰিবৰ কাৰণে আপুনি “মোৰ গোচৰ” শিতানৰ যোগেদি গোচৰসমূহ খুলিব লাগিব, তেতিয়া স্ক্ৰীণশ্বট থনত দেখুওৱা অনুসৰি সোঁফালৰ শীৰ্ষ স্থানত সেই গোচৰৰ “গোচৰসমূহ মোচন” বিকল্প শিতান প্ৰতিফলিত হ’ব। যদি “গোচৰ মোচন বিকল্প” স্থানত টিপা হয়, মোৰ গোচৰ তালিকাৰ পৰা সেই গোচৰটো মোচন হৈ যাব।




## ১০.৩. মোৰ গোচৰৰ ভিতৰত/ অভ্যন্তৰত অনুসন্ধানঃ

যেতিয়া “মোৰ গোচৰ” শিতানৰ অধীনত আপোনাৰ একাধিক গোচৰ সংৰক্ষিত হৈ থাকে, সেইসমূহ “মোৰ গোচৰ” শিতানত উপলব্ধ বিকল্প সন্ধান ব্যৱহাৰ কৰি অনুসন্ধান কৰিব পাৰি।

লগত দিয়া স্ক্ৰীণশ্বট খনত দেখুওৱা অনুসৰি ছাৰ্চ টেবত টাইপ কৰি আপুনি আপোনাৰ গোচৰসমূহ নাম অনুযায়ী বা নম্বৰ অনুযায়ী অনুসন্ধান কৰিব পাৰিব।





## ১০.৪. ৰিফ্ৰেছ বুটামঃ

ৰিফ্ৰেছ বুটামত টিপিলে ই গোচৰৰ শেহতীয়া তথ্যৰে পূৰ্ণ কৰে। "মোৰ গোচৰ" শিতানৰ অধীনৰ সংৰক্ষিত তথ্যৰ শেহতীয়া স্থিতি পাবলৈ দিয়া ৰিফ্ৰেছ বুটামটো "আজিৰ গোচৰ" শিতানৰ কাষতে সংলগ্ন হৈ আছে। সংযোগৰ আঁসোৱাহৰ কাৰণে যদি কোনো গোচৰ শেহতীয়া স্থিতিলৈ উন্নীত হোৱা নাই বা ৰিফ্ৰেছ হোৱা নাই, এপটোৱে এই তথ্য "সংযোগ বিসংগতি" হিচাপে প্ৰতিফলিত কৰিব।




## ১০.৫. মোৰ গোচৰ- তাৰিখ অনুযায়ী/ জিলা অনুযায়ী বিকল্প প্ৰদৰ্শনঃ

"ই-কোৰ্টছ" মোবাইল এপৰ শেহতীয়া সংস্কৰণ "মোৰ গোচৰ" শিতানটো তাৰিখ অনুযায়ী আৰু জিলা অনুযায়ী প্ৰদৰ্শিত হয়। উদাহৰণস্বৰূপে, যদি আপুনি তাৰিখ অনুযায়ী বিকল্প শিতানত টিপে, ই তাৰিখ অনুযায়ী সকলো গোচৰ প্ৰতিফলিত কৰিব। এইটো এজন অধিবক্তা বা তৰণীৰ বাবে সুবিধাজনক হ'ব, কিয়নো এইখন তেওঁলোকৰ গোচৰসমূহৰ এখন ডিজিটেল ডায়েৰী। একেধৰণে, জিলা অনুযায়ী প্ৰদৰ্শনো উপলব্ধ। তাৰিখ অনুযায়ী আৰু জিলা অনুযায়ী সম্বলিত স্ক্ৰীণশ্বটখন ইয়াৰ লগত দেখুওৱা হৈছে আৰু, যেতিয়া আপুনি গোচৰ নম্বৰটো টিপিব, ই "মোৰ গোচৰ" শিতানৰ অনুসন্ধান বিকল্পত থকা গোচৰসমূহৰ সমগ্ৰ গোচৰৰ ইতিবৃত্ত মুকলি কৰিব।




## ১০.৬. কেলেণ্ডাৰঃ


“মোৰ গোচৰ” শিতানটো কেলেণ্ডাৰ আকাৰতো দৰ্শন কৰিব পাৰি।




## ১১. বেক-আপৰ সুবিধাঃ


ই-কোৰ্টছ মোবাইল এপটোৱে বেক-আপৰ সুবিধা যোগান ধৰে, যিটো ই-কোৰ্টছ এপটোৰ অত্যন্ত আৱশ্যকীয় বৈশিষ্ট্য। আপুনি সংৰক্ষিত গোচৰসমূহ আপোনাৰ মোবাইল ফোনৰ এক্সপৰ্ট-ইম্পৰ্ট বিকল্পৰ অধীনত বেক-আপ কৰিব পাৰে। যদি আপুনি ভালেসংখ্যক গোচৰ আপোনাৰ মোবাইল এপত সংৰক্ষণ কৰিছে আৰু যদি আপুনি এটা নতুন মোবাইল ফোন ক্ৰয় কৰিছে, তেন্তে এই এক্সপৰ্ট-ইম্পৰ্ট বিকল্প ব্যৱহাৰ কৰিব পাৰিব আৰু শেহতীয়া মোবাইল ফোনত গোচৰসমূহ ডাউনলোড কৰিব পাৰিব।

মেনু বুটামত টিপিলে, এই বেক-আপ বিকল্পটো প্ৰৱেশযোগ্য হয়। যেতিয়া আপুনি উক্ত মেনু বুটামটো টিপে, মেনুৰ অধীনত এক্সপৰ্ট আৰু ইম্পৰ্ট বিকল্পটো উপলব্ধ হয়, যিটো তাৎক্ষণিকভাৱে বুজি পাবৰ বাবে ইয়াৰ লগত দিয়া স্ক্ৰীণশ্বট খনত দেখুওৱা হৈছে। অন্ততঃ এবাৰ এক্সপৰ্ট কৰাটো আৰু তথ্যসমূহ নিয়মিতৰূপে মোবাইল ফোনত বা গুগল ড্ৰাইভ অথবা ই-মেইলত সংৰক্ষণ কৰাটো আৱশ্যক। যেতিয়া আপুনি তথ্যসমূহ এক্সপৰ্ট কৰিব, তেতিয়া প্ৰয়োজন অনুসাৰে ইম্পৰ্ট কৰিব পাৰিব। উদাহৰণস্বৰূপে, যেতিয়া মোবাইল ফোন সলনি কৰে বা আকস্মিকভাৱে তথ্যসমূহ নাশ হয়, ইম্পৰ্ট কৰিবলৈ ইয়াক ব্যৱহাৰ কৰিব পৰা যায়। আপোনাৰ তথ্যসমূহ এক্সপৰ্ট নকৰালৈকে, আপুনি ইম্পৰ্ট কৰিবলৈ ইয়াক ব্যৱহাৰ কৰিব নোৱাৰিব।



## ১১.১. এক্সপৰ্ট বিকল্পঃ




মোবাইল এপৰ মেনু তালিকাৰ অধীনত এক্সপৰ্ট বিকল্প শিতানটো উপলব্ধ হয়। যেতিয়া এক্সপৰ্ট বিকল্প শিতানত টিপা হয়, ই কোনটো ফাইলত এক্সপৰ্ট কৰিব তাৰ অনুমতি ল'ব। আপুনি ই-মেইলৰ যোগেদি আপোনাৰ ফাইলসমূহ এক্সপৰ্ট বা শ্বেয়াৰ কৰিব পাৰিব বা আপুনি গুগল ড্ৰাইভ অথবা ফোনত সংৰক্ষণ কৰিব পাৰিব। গুগল ড্ৰাইভত সংৰক্ষণ কৰা সময়ত আপুনি গুগলৰ পৰা প্ৰতিৰক্ষামূলক প্ৰশ্ন পাব পাৰে আৰু আপুনি অন্তৰ্ভুক্ত শিতানত টিপিব পাৰিব,

যাৰ ফলত বেক-আপথিনি গুগল ড্ৰাইভত সংৰক্ষিত হ'ব। যেতিয়াই প্ৰয়োজন হ'ব, বেক-আপসমূহ গুগল ড্ৰাইভৰ পৰা উলিয়াই আনিব পাৰিব।

ফাইলসমূহ এক্সপৰ্ট কৰিবৰ বাবে তিনি প্ৰকাৰৰ বিকল্প হৈছে- (i) ই-মেইল; (ii) ড্ৰাইভ (গুগল)ত সংৰক্ষণ; (iii) এই মোবাইল ফোনত সংৰক্ষণ আৰু মোবাইল ফোনত কেনেকৈ সংৰক্ষণ কৰা হয় তাৰ বোধগম্যতাৰ বাবে কাষৰ স্ক্ৰীণশ্বট থনত দেখুওৱা হৈছে। এই তিনিওটাৰ যিকোনো এটা ব্যৱহাৰ কৰি আপোনাৰ মোবাইল এপ্লিকেশ্যনৰ সংৰক্ষিত তথ্যসমূহ আপুনি এক্সপৰ্ট কৰিব পাৰিব আৰু টেক্সট ফাইল আকাৰত সংৰক্ষণ কৰিব পাৰিব। এবাৰ এক্সপৰ্ট সম্পন্ন হোৱাৰ পিছত, আপুনি মোবাইল ফোনত "সফলতাৰে সংৰক্ষিত হৈছে" আকাৰে এটা সংকেত লাভ কৰিব, যিটো ইয়াৰ লগত দেখুওৱা হৈছে। উক্ত টেক্সট ফাইলটো মোবাইল ষ্টোৰজৰ পৰা উলিয়াই আনিব পাৰিব।




### ১১.২. ইমপোৰ্ট বিকল্পঃ

"ই-কোৰ্টছ্" মোবাইল এপৰ ব্যৱহাৰকাৰী সকলৰ বাবে ইমপোৰ্ট বিকল্প শিতানটো অত্যন্ত আৱশ্যক। আপুনি কি কৰিব, যদি আপোনাৰ ফোনটো সলনি কৰিব বিচাৰে?বা আপোনা ফোনৰ তথ্যসমূহ নাশ হয়। তেতিয়া, এই ইমপোৰ্ট বিকল্প শিতানটো উপকাৰী হিচাপে বিবেচিত হয়। আপুনি এই ইমপোৰ্ট বিকল্প ব্যৱহাৰ কৰি বেক-আপ কৰা তথ্যসমূহ আপোনাৰ নতুন ফোনত পাবলৈ সক্ষম হ'ব। যেতিয়া তথ্যসমূহ ভুলবশতঃ নোহোৱা হৈ পৰে, আপুনি এই ইমপোৰ্ট বিকল্প ব্যৱহাৰ কৰি তথ্যসমূহ পুনৰ উদ্ধাৰ কৰিব পাৰিব।


আপুনি ইমপোৰ্ট আইকনত টিপি দুটা বিকল্পৰ জৰিয়তে তথ্যসমূহ ইমপোৰ্ট কৰিব পাৰিব;

(i) ড্ৰাইভৰ পৰা ইমপোৰ্ট, আৰু
(ii) এই ডিভাইচৰ পৰা ইমপোৰ্ট

"ইমপোৰ্ট ফ্ৰম" শিতানৰ অধীনত দুয়োটা বিকল্প ইয়াৰ লগত সংলগ্ন স্ক্ৰীণশ্বট থনত দেখুওৱা হৈছে। এইটো বিধেয় যে আপুনি অন্ততঃ এবাৰ বেক-আপ কৰা তথ্যসমূহ গুগল ড্ৰাইভৰ পৰা ইমপোৰ্ট কৰিব লাগিব, গুগল ড্ৰাইভে আপোনাৰ পৰা অনুমতি বিচাৰিব আৰু আপুনি 'অনুমোদন' বুটাম টিপি তথ্যসমূহ ইমপোৰ্ট কৰিব।

উক্ত স্ক্ৰীণশ্বট থন ইয়াৰ লগত সংলগ্ন কৰা হৈছে। যেতিয়া এবাৰ ইমপোৰ্ট বিকল্প শিতানটো সম্পূৰ্ণ হয়, আপুনি "সফলতাৰে গোচৰসমূহ ইমপোৰ্ট" হৈছে নামাকৰণেৰে এটা সংকেত লাভ কৰিব। এইদৰে, আপুনি "ইমপোৰ্ট বিকল্প" ব্যৱহাৰ কৰিব পাৰিব আৰু আপোনাৰ নতুন

ফোনত বেক-আপ কৰা তথ্যসমূহ লাভ কৰিব বা পূৰণি ফোনৰ পৰা বেক-আপ কৰা তথ্যসমূহ পুনৰোদ্ধাৰ কৰিব পাৰিব।



## ১২. কিউ.আৰ.কোড ব্যৱহাৰ কৰি গোচৰৰ স্থিতিৰ প্ৰাপ্তিঃ

'ই-কোৰ্টছ' মোবাইল এপ ব্যৱহাৰ কৰা সময়ত, আপুনি জটিলতাৰ সন্মুখীন হ'ব পাৰে, যেতিয়া গোচৰৰ স্থিতি লাভ কৰিবলৈ প্ৰতিবাৰে "কেছ নম্বৰ ৰেকৰ্ড" (চি.এন.আৰ.) টাইপ কৰিব অথবা গোচৰৰ শেহতীয়া স্থিতি লাভ কৰিবলৈ প্ৰতিবাৰে গোচৰৰ সবিশেষ টাইপ কৰিব। "ই-কোৰ্টছ" মোবাইল এপৰ যোগেদি গোচৰৰ স্থিতি লাভ কৰাৰ অন্য এক সহজ উপায় হৈছে কিউ.আৰ.কোড স্কেন বিকল্প শিতান।

**<u>প্ৰথম পদক্ষেপঃ</u> আপোনাৰ গোচৰৰ কিউ.আৰ.কোড কেনেকৈ পাবঃ**

"ই-কোৰ্টছ" মোবাইল এপ্লিকেশ্যনৰ অধীনৰ "গোচৰ ইতিবৃত্ত" শিতানৰ পৰা আপুনি আপোনাৰ গোচৰৰ কিউ.আৰ. কোড লাভ কৰিব পাৰিব।

অথবা

"ই-কোৰ্টছ" সেৱাৰ ৱেবছাইটত https://ecourts.gov.in-ৰ অধীনৰ গোচৰৰ ইতিবৃত্ত শিতানৰ পৰাও আপুনি গোচৰৰ কিউ.আৰ.কোড লাভ কৰিব পাৰিব।

**<u>দ্বিতীয় পদক্ষেপঃ</u> কিউ.আৰ.কোডৰ এটা প্ৰিণ্ট আউট (ছপা কৰি) উলিয়াই লওক আৰু গোচৰ ফাইলত ইয়াক পেষ্ট কৰকঃ**

আপুনি কিউ.আৰ.কোড ছপা কৰি ল'বপাৰিব আৰু গোচৰৰ ফাইলত ইয়াক পেষ্ট কৰিব পাৰিব।




**<u>তৃতীয় পদক্ষেপঃ</u> কিউ.আৰ.কোড স্কেন কৰি লওকঃ**

"ই-কোৰ্টছ" মোবাইল এপত পূৰ্ব উপলব্ধ "স্কেন কিউ.আৰ.কোড" ব্যৱহাৰ কৰি আপুনি গোচৰ ফাইলত পেষ্ট কৰি ৰখা কিউ.আৰ.কোড স্কেন কৰিব পাৰিব, যি তৎক্ষণাত গোচৰৰ স্থিতি দেখুৱাব। এই কিউ.আৰ.কোড স্কেনিং ব্যৱস্থা বৃহৎ সংখ্যক গোচৰ থকা অধিবক্তাৰ কাৰ্যালয় আৰু কোম্পানী অথবা চৰকাৰী প্ৰতিষ্ঠানৰ কাৰণে লাভদায়ক। তেওঁলোকে কিউ.আৰ.কোডটো ছপা কৰি ল'বপাৰিব আৰু তেওঁলোকৰ গোচৰৰ ফাইলসমূহত পেষ্ট কৰি মোবাইল এপৰ স্কেন কিউ.আৰ.কোড বিকল্প শিতান ব্যৱহাৰ কৰি স্কেন কৰিব পাৰিব আৰু দফাসমূহ এটা এটাকৈ দাখিল নকৰাকৈ ততালিকে গোচৰৰ সবিশেষ লাভ কৰিব।

**১৩. ইন্টাৰনেট উপলব্ধ নোহোৱা ঠাইত এছ.এম.এছৰ যোগেদি গোচৰৰ স্থিতিৰ প্ৰাপ্তিঃ**

আমাৰ দেশত, ৫০%তকৈ অধিক লোকে ইন্টাৰনেটৰ সুবিধা পাবলৈ সক্ষম হোৱা নাই। ই-সমিতিৰ অধ্যক্ষই দোহাৰে যে এই প্ৰযুক্তিগত বিভাজন ভংগ কৰি আমি এক সৰ্বাত্মকভাৱে সামৰি লোৱা পদ্ধতি গ্ৰহণ কৰিব লাগিব আৰু এই সেৱা হৈছে এনে এক বৈশিষ্ট্য যি এনে লোকৰ প্ৰয়োজন পূৰণ কৰে যিসকলে ইন্টাৰনেটৰ সুবিধাৰ পৰা বঞ্চিত হৈ আছে। যেতিয়া আপোনাৰ ইন্টাৰনেট সংযোগ নাথাকে, তেতিয়া আপুনি এই এছ.এম.এছ. বাৰ্তা "ই-কোৰ্টছ <স্পেচ><আপোনাৰ চি.এন.আৰ. নম্বৰ>" -৯৭৬৬৮৯৯৮৯৯ নম্বৰত পঠিয়াই গোচৰৰ স্থিতি লাভ কৰিব পাৰিব।




## ১৪. “ই-কোৰ্টছ” স্বয়ংচালিত ই-মেইল সেৱাৰ যোগেদি গোচৰৰ স্থিতিৰ প্ৰাপ্তিঃ

যদিও “ই-কোৰ্টছ” মোবাইল এপৰ বাবে স্বয়ংচালিত ই-মেইল সেৱা অপ্ৰাসংগিক তৎসত্ত্বেও, মোবাইল ফোনত ই-মেইল নিৰীক্ষণ কৰাৰ অভ্যাস থকা লোকৰ বাবে ই এক আনুষংগিক বৈশিষ্ট্য, যিটো মোবাইল ফোনত প্ৰত্যক্ষ কৰিব পাৰি। “ই-কোৰ্টছ” স্বয়ংচালিত ই-মেইল সেৱাৰ যোগেদি গোচৰৰ স্থিতি লাভ কৰিবলৈ, ই-কোৰ্টছ প্ৰকল্পই সদ্যনিক্ষেপিত স্বয়ংচালিত ই-মেইল সেৱাৰ যোগেদি গুচৰীয়া পক্ষ আৰু অধিবক্তা সকললৈ ই-মেইল পঠিওৱা আৰম্ভ কৰিছে। পঞ্জীভুক্ত উপভোক্তাসকলে গোচৰৰ শেহতীয়া স্থিতি, পৰৱৰ্তী শুনানিৰ তাৰিখ, নিৰ্দেশ আৰু গোচৰৰ ৰায় আদিৰ প্ৰতিলিপি আৰু গোচৰ সূচী লাভ কৰিব। এই আকৰ্ষণীয় স্বয়ংচালিত ই-মেইল সেৱা সক্ৰিয় কৰিবলৈ গুচৰীয়া পক্ষ আৰু অধিবক্তাসকলে তেওঁলোকৰ ই-মেইলসমূহ সংশ্লিষ্ট আদালতত পঞ্জীভুক্ত কৰিব লাগিব। সেই দিন দূৰ নহয় যেতিয়া আপোনালোকে ঘৰত বহিয়েই প্ৰমাণিত প্ৰতিলিপিসমূহ আদালতৰ পৰা লাভ কৰিব পাৰিব।

### ১৪.১. অবিনাশী নিম্ন আদালতৰ পৰা ই-কোৰ্টছ স্বয়ংচালিত ই-মেইল প্ৰেৰণঃ

এদিন, অবিনাশী নিম্ন আদালতত অনুশীলনৰত এগৰাকী অধিবক্তাই আহি গোচৰ তালিকাকৰণ সংক্ৰান্তত এটা স্বয়ংচালিত ই-মেইল লাভ কৰাত, তেখেতে উৎসাহ আৰু আশ্চৰ্য প্ৰকাশ কৰিছিল। এইটো পঢ়ুৱৈ সকলৰ কাৰণে ইয়াৰ লগত দিয়া হৈছে। সেই দিন দূৰ নহয় য'ত আপুনি ঘৰত বহিয়েই প্ৰমাণিত প্ৰতিলিপিসমূহ আদালতৰ পৰা লাভ কৰিব পাৰিব।


Cause List Status 02-04-2018 07:16:28 Inbox

eCourts
to me
2 days ago View details

Dear registered user, Greetings from http://ecourts.gov.in online unified platorm to get case related information pending or disposed in Taluka and District Courts in India.

**Below mentioned cases are listed on 02-04-2018.**
CNR No : TNTI160008782017
Case No. : HMOP/107/2017
Parties : vadivel Vs keerthiga
Court: Tmt.R.Arulmozhiselvi, M.L.,, Subordinate Judge, Avinashi ,Sub Court,Avinashi
Stage:LOK ADALAT

You can view Judgment / order by visiting http://ecourts.gov.in

Regards

This automated email generated from system. Please do not reply this.

**Disclaimer:**

## ১৫. আদালত চৌহদৰ অৱস্থিতি নিৰ্ণায়ক শিতানঃ

এক নতুন বিকল্প– ই-কোৰ্টছ মোবাইল এপ্লিকেশ্যনত আদালত চৌহদৰ অৱস্থিতি নিৰ্ণায়ক শিতানটো সংযোজন কৰা হৈছে, যিটো গুচৰীয়া পক্ষৰ কাৰণে এক সুবিধাজনক আহিলা। যদি কোনো গুচৰীয়াই অনেক দূৰৰ আদালতৰ পৰা চমন পায় আৰু তেওঁ আদালতৰ অৱস্থানৰ বিষয়ে জ্ঞাত নহয়, তেতিয়া তেওঁ আদালত চৌহদ নিৰ্ণায়ক শিতান ব্যৱহাৰ কৰি আদালতৰ অৱস্থিতি মানচিত্ৰত বিচাৰি উলিয়াব পাৰিব, আৰু তেওঁ আদালত চৌহদ নিৰ্ণায়ক বিকল্প ব্যৱহাৰ কৰি আদালতত উপস্থিত হ'ব পাৰিব। এই আদালত চৌহদ নিৰ্ণায়ক শিতানটো ভাৰতীয় মেপিং এপ "ভূবন"(BHUVAN) টো উপলব্ধ আৰু কৈম্বাটোৰত অৱস্থিত আদালতৰ অনুসন্ধানৰ স্ক্ৰীণশ্বটসমূহ ইয়াত দেখুওৱা হৈছে।




## ১৬. ই-আদালত মোবাইল এপ মেনুত উপলব্ধ বিভিন্ন লিংকসমূহঃ

ই-আদালত মোবাইল এপৰ মেনুত ই-আদালত সেৱাসমূহৰ গুৰুত্বপূৰ্ণ লিংকসমূহ প্ৰদান কৰা হৈছে। কোনো এজন ব্যৱহাৰকাৰীয়ে নিম্নোক্ত লিংকসমূহ ব্যৱহাৰ কৰিব পাৰেঃ


- ই-পৰিশোধ
- এন.জে.ডি.জি.
- ই-দাখিল
- ইণ্ডিয়া কোড
- অধিবক্তাৰ প্ৰ-পত্ৰ
- ভাৰ্চুৱেল কোৰ্ট

ই-আদালত সেৱাসমূহৰ ৱেবছাইটত এই সকলোবোৰ লিংক উপলব্ধ। উদাহৰণস্বৰূপে, যদি কোনো এজন ব্যক্তিয়ে অনলাইন মাধ্যমত জৰিমনা পৰিশোধ কৰিব বিচাৰে তেন্তে, তেওঁ মোবাইল এপৰ জৰিয়তে ভাৰ্চুৱেল কোৰ্টৰ লিংকত ক্লিক কৰি ভাৰ্চুৱেল কোৰ্ট প'ৰ্টেলত আদালতলৈ নোযোৱাকৈয়ে জৰিমনা পৰিশোধ কৰিব পাৰিব। সেয়েহে এই লিংকসমূহক প্ৰকৃত নিৰ্ণায়ক হিচাপে ব্যৱহাৰ কৰিব পাৰি।



## ১৭. ই-কোৰ্টছ মোবাইল এপৰ ই-পৰিশোধ লিংকঃ

যেতিয়া আপুনি ই-পৰিশোধ বিকল্পত টিপে, ই আপোনাক https://pay.ecourts.gov.inলৈ লৈ যাব য'ৰ পৰা আপুনি ডিজিটেল মাধ্যমেৰে ন্যায়ালয় শুল্ক, ন্যায়িক আমানত, জৰিমনা আদি পৰিশোধ কৰিব পাৰিব। আপুনি চি.এন.আৰ. নম্বৰ বা গোচৰ নম্বৰ আৰু মোবাইল নম্বৰ ব্যৱহাৰ কৰি ডিজিটেল মাধ্যমেৰে পৰিশোধ কৰিব পাৰিব।





## ১৮. ই-কোৰ্টছ মোবাইল এপৰ এন.জে.ডি.জি. লিংকঃ


যেতিয়া আপুনি এন.জে.ডি.জি. বুটাম টিপিব, ই আপোনাক পোনপটীয়াকৈ এন.জে.ডি.জি. লিংক https://njdg.ecourts.gov.in ৰ অধীনলৈ লৈ যাব, য'ৰ পৰা আপুনি নিম্নলিখিত সবিশেষ লাভ কৰিব-

১৯.১. ৰাষ্ট্ৰীয় ন্যায়িক ডেটা গ্ৰিড (জিলা আৰু তালুকা/ নিম্ন আদালত)।

১৯.২. ৰাষ্ট্ৰীয় ন্যায়িক ডেটা গ্ৰিড (উচ্চ ন্যায়ালয়)।

এন.জে.ডি.জি. শিতান ব্যৱহাৰ কৰোঁতে, আপুনি ৰাজ্য নিৰ্বাচন কৰাটো দৰকাৰ, তাৰ পিছত জিলা আৰু ড্ৰিল-ডাউন বিকল্প শিতান ব্যৱহাৰ কৰি আপুনি বিচাৰাধীন গোচৰ, নিষ্পত্তি হোৱা গোচৰ, গোচৰৰ প্ৰকাৰ অনুযায়ী বা পৰ্যায় অনুযায়ী আদিৰ বিষয়ে বিভিন্ন দিশৰ সবিশেষ লাভ কৰিব পাৰিব। ড্ৰিল-ডাউন বিকল্পৰ অভিজ্ঞতা ল'বলৈ আপুনি মোবাইল ফোন হাতত তুলি লওক।





SUMMARY REPORT OF INDIA AS ON DATE :-- 19/06/2020

| PARTICULARS | CIVIL CASES | CRIMINAL CASES | WRIT PETITION | TOTAL CASES | PERCENTAGE |
|---|---|---|---|---|---|
| Cases Filed In Last Month | 5836 | 19819 | 9476 | 35131 | (0.73%) |
| Cases Disposed In Last Month | 5868 | 17133 | 6766 | 29767 | (0.62%) |
| Cases Disposed In Last Month (more than 10 years old) | 413 | 199 | 360 | 972 | (0.02%) |
| Pre-Registration | | | | | |
| Cases-Under Objection | 65330 | 32200 | 15156 | 112687 | (2.34%) |
| Cases-Pending Registration | 325567 | 118235 | 90289 | 534090 | (11.11%) |
| Pending Cases Age Wise | | | | | |
| Cases Pending (0 to 1 year) | 441971 | 368963 | 306725 | 1117659 | (23.32%) |
| Cases Pending (1 to 3 years) | 519871 | 293099 | 313198 | 1126168 | (23.5%) |
| Cases Pending (3 to 5 years) | 299228 | 171245 | 216274 | 686747 | (14.33%) |
| Cases | | | | | |

## ১৯. ই-কোর্টছ মোবাইল এপৰ যোগেদি ইণ্ডিয়া কোডত প্ৰৱেশঃ

এতিয়া, ইণ্ডিয়া কোডৰ এক নতুন বৈশিষ্ট্য ই-কোৰ্টছ মোবাইল এপত সংযোজন কৰা হৈছে। যাৰ সহায়ত, যিকোনো লোকে ব্যৱহাৰ কৰি বিধিসমূহ, আইন, অধিনিয়ম, জাননী আদি লাভ কৰিব পাৰে। ই আপোনাৰ মোবাইলত থকা সকলোবোৰ আইনৰ এক হাতপুথি।

উদাহৰণস্বৰূপে, যদি আপুনি চি.পি.চি.ৰ কোনো ধাৰাৰ বিষয়ে উল্লেখ কৰিব বিচাৰে, তেন্তে, তলত দেখুওৱা অনুসৰি, মোবাইল এপ লিংকৰ পৰা ইয়াক সহজেই লাভ কৰিব পৰা যায়।




### ১৯.১. ইণ্ডিয়া কোডৰ পৰা এখন বেয়াৰ আইন (এক্ট) অনুসন্ধানঃ

যদি আপুনি যিকোনো বিধি অনুসন্ধান কৰিব বিচাৰে, তেন্তে, আপুনি ছাৰ্চ বক্সত ছাৰ্চিং কোডটো টাইপ কৰিব লাগিব আৰু সেইটো আপুনি ইণ্ডিয়া কোডৰ পৰা লাভ কৰিব পাৰিব। উদাহৰণস্বৰূপে, যদি আপুনি ফৌজদাৰী কাৰ্যবিধি আইনখন বিচাৰে, আপুনি বক্সত টাইপ কৰি সেইখন লাভ কৰিব পাৰিব।



## ২০. “ই-কোর্টছ” মোবাইল এপত ই-দাখিলৰ লিংকঃ

আপুনিও “ই-কোর্টছ” সেৱা যেনে- ই-দাখিল, ই-পৰিশোধ, আৰু এন.জে.ডি.জি. সুবিধা গ্ৰহণ কৰিব পাৰিব। আপুনি ই-দাখিল এপ্লিকেশ্যনত এবাৰ টিপিলে ই আপোনাক ই-দাখিল পোৰ্টেল https://efiling.ecourts.gov.inলৈ লৈ যাব আৰু ভাৰতীয় মেপৰ পৰা আপোনাৰ নিজৰ ৰাজ্য বাছনি কৰি গোচৰৰ ই-দাখিল আৰম্ভ কৰিব পাৰিব। আপুনি ই-দাখিল পোৰ্টেলৰ অধীনত থকা ভিডিঅ’ আৰু নিৰ্দেশনা সম্বন্ধীয় সুবিধা ল’ব পাৰিব আৰু গোচৰসমূহ ই-দাখিল কৰি আপুনিও ডিজিটেল যুগৰ এজন অধিবক্তা হৈ পৰক।




## ২১. ই-আদালত মোবাইল এপত ভাৰ্চুৱেল কোৰ্টৰ লিংক:


মোবাইল এপ্লিকেশ্যনত প্ৰদত্ত লিংকৰ জৰিয়তে কোনো এজন ব্যক্তিয়ে ভাৰ্চুৱেল কোৰ্টৰ সুবিধাসমূহ গ্ৰহণ কৰিব পাৰে। ভাৰ্চুৱেল কোৰ্টৰ পৰ্টেলত প্ৰদান কৰা সেৱাসমূহৰ দ্বাৰা মোবাইল নং, চি.এন.আৰ., পক্ষৰ নাম, চালান নম্বৰ আৰু গাড়ীৰ নম্বৰৰ জৰিয়তে গোচৰৰ সবিশেষ লাভ কৰিব পাৰি। ভাৰ্চুৱেল কোৰ্টৰ লিংক প্ৰদান কৰা এই মোবাইল এপ্লিকেশ্যন ব্যৱহাৰ কৰি জৰিমনা পৰিশোধ কৰিব পাৰি। এইদৰে, এজন ব্যক্তিয়ে আদালতলৈ নোযোৱাকৈয়ে আৰু ভাৰ্চুৱেল কোৰ্ট পৰ্টেলত লগ্ ইন্ নকৰাকৈয়ে মটৰ গাড়ী দূৰ্ঘটনাৰ গোচৰৰ জৰিমনা পৰিশোধ কৰি গোচৰটো মীমাংসা কৰাব পাৰে।







## ২২.　ই-আদালত মোবাইল এপত অধিবক্তাৰ প্ৰ-পত্ৰৰ লিংক:

ই-আদালত মোবাইল এপ্লিকেশ্যনৰ সূচীত 'অধিবক্তাৰ বাবে প্ৰ-পত্ৰ, শেহতীয়া সংযোজন' শীৰ্ষক এক প্ৰয়োজনীয় লিংক প্ৰদান কৰা হৈছে। উক্ত লিংকত ক্লিক কৰিলে অধিবক্তাসকলে ব্যৱহাৰ কৰা বিভিন্ন প্ৰ-পত্ৰ সমূহ, যেনে: জামিন নামা, প্ৰতিলিপি আবেদন পত্ৰ (চি.এ. ফৰ্ম), গোচৰ অনুসন্ধান পদ্ধতি, দাখিল প্ৰ-পত্ৰ, ইন্‌ডেক্স ফৰ্ম, মেমো অফ এপিএৰেন্স, নথি দাখিল কৰিবৰ বাবে জাননী, জামানত নামা, ৱকালত নামা ইত্যাদি উপলব্ধ হ'ব। আশা ৰাখিছো যে ইয়াৰ দ্বাৰা এই উপযোগী লিংকটো ব্যৱহাৰৰ বাবে আপুনি অনুপ্ৰাণিত হ'ব।



## ২৩. সহায় বিকল্পঃ

“ই-কোৰ্টছ” সেৱাৰ অধীনৰ বিভিন্ন বিকল্পসমূহ কেনেদৰে ব্যৱহাৰ কৰিব সেয়া সহায় বিকল্প শিতানৰ অধীনত প্ৰতিফলিত হৈছে আৰু যেতিয়াই শংকাৰ উদয় হয়, ই সহায়ক হিচাপে কাম কৰিব। যেতিয়া আপুনি সহায় শিতানৰ অধীনৰ প্ৰতিটো টেব টিপিব, ই আপোনাক বৈশিষ্ট্যসমূহ ব্যৱহাৰ কৰাৰ পদক্ষেপ আৰু নিৰ্দেশনা সম্বলিত প্ৰতিচ্ছবিসমূহ দেখুৱাব। উদাহৰণস্বৰূপে, যদি আপুনি ই-কোৰ্টছ সেৱা এপৰ সহায় শিতানৰ অধীনত থকা মোৰ গোচৰ টেবত টিপে, ই আপোনাক স্ক্ৰীণশ্বট থনত দেখুওৱা অনুসৰি বিতং সহায় শিতানলৈ লৈ যাব, যিটো আপুনি অনুসৰণ কৰি মেনু ব্যৱহাৰ কৰিব পাৰিব।







ই-কোৰ্টছ সেৱা মোবাইল এপ আজিয়েই ডাউনলোড কৰক!

আৰু আপোনাৰ মোবাইল ফোনত গোচৰৰ স্থিতি বিনামূল্যে 24 x 7 লাভ কৰক।

# ই-কোৰ্টছ সেৱা মোবাইল এপ

## ভাৰতৰ উচ্চ ন্যায়ালয়সমূহ/ জিলা আদালতসমূহ/ তালুক আদালতসমূহৰ বাবে

## এণ্ড্ৰইড আৰু আই.ও.এছ.(সংস্কৰণ)ৰ বাবে ‘ই-কোৰ্টছ’ মোবাইল এপ-

ecourt services — গোচৰৰ স্থিতি, গোচৰসূচী, আদালতৰ ৰায়/ আদেশসমূহ লাভ কৰক, মোৰ গোচৰসমূহ ২৪X৭ত আপোনাৰ গোচৰসমূহ সংৰক্ষণ কৰক।

গোচৰৰ সম্পূৰ্ণ ইতিবৃত্ত লাভ কৰক।

আপোনাৰ ৰায়/ আদেশসমূহ প্ৰত্যক্ষ কৰক।

আদালত চৌহদ নিৰ্ধাৰক(শিতান) লাভ কৰক।

i CNR — একক চি.এন.আৰ. নম্বৰ ব্যৱহাৰ কৰি গোচৰৰ অনুসন্ধান কৰক। (http://services.ecourts.gov.in/ecourtindia_v5.1/)

কিউ.আৰ.কোড. স্কেন কৰি স্থিতি লাভ কৰক। (http://services.ecourts.gov.in/ecourtindia_v5.1)

Case Status — গোচৰ নম্বৰ/ দাখিল নম্বৰ/ এজাহাৰ নম্বৰ/ পক্ষৰ নাম/ অধিবক্তাৰ নাম/ আইন/ গোচৰৰ প্ৰকাৰ ব্যৱহাৰ কৰি গোচৰৰ স্থিতি জানক।

causelist — গোচৰসূচী লাভ কৰক।

My Cases — সংৰক্ষিত আৰু ধাৰ্য্যিত হৈ থকা ‘মোৰ গোচৰসমূহ’ শিতানত আপোনাৰ গোচৰসমূহ লাভ কৰক।

‘মোৰ গোচৰ’ শিতানত “আজিৰ গোচৰৰ” সংকেত বাৰ্তা লাভ কৰক।

কেলেণ্ডাৰ বিকল্প লাভ কৰক।




এণ্ড্ৰইড আৰু আই.ও.এছ.ৰ বাবে ডাউনলোড কৰক

GET IT ON Google Play

Download on the App Store

**Download**

ই-আদালতৰ ৱেবপেজত এণ্ড্ৰইড আৰু আই.ও.এছ.ৰ বাবে ই-আদালত সেৱা মোবাইল এপ্লিকেশ্যন

https://services.ecourts.gov.in/ecourtindia_v6/

ই-সমিতি, ভাৰতৰ উচ্চতম ন্যায়ালয়